REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# বাজেট ভাষণ

## ১৯৯৬-৯৭

১৯ মাৰ্চ, ১৯৯৬

শ্ৰীজীৱ কান্ত গগৈ
বিত্তমন্ত্ৰী, অসম

REFERENCE
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

*মাননীয় অধ্যক্ষ মহোদয়,*

আপোনাৰ অনুমতি সাপেক্ষে মই এই পবিত্র সদনত ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰটোৰ বাবে অসম চৰকাৰৰ বিত্তীয় প্রাক্কলন উত্থাপন কৰিব খুজিছো ।

২ মাননীয় সদস্য সকলে এই কথা নিশ্চয় অৱগত যে, বর্ত্তমান বিধান সভাৰ কার্য্যকাল ১৯৯৬ চনৰ ২৮ জুলাইত অন্ত পৰিব আৰু ৰাজ্য বিধান সভাৰ নির্ব্বাচন ইয়াৰ আগতে অনুষ্ঠিত হ'ব । এই পৰিপ্রেক্ষিতত মই সদনত ১৯৯৬-৯৭ চনৰ বছৰটোৰ প্রথম চাৰিমাহৰ বাবে ব্যয়ৰ লেখানুদান (Vote on Account) বিচাৰিছো যদিও মই গোটেই বছৰটোৰ বিত্তীয় প্রাক্কলন উত্থাপন কৰিছো ।

৩ আমাৰ চৰকাৰে কার্য্যভাৰ লোৱাৰ সময়ত অর্থাৎ ঠিক পাঁচ বছৰৰ আগতে ৰাজ্যখনত যথেষ্ট জটিল পৰিস্থিতিয়ে বিৰাজ কৰিছিল । আমাৰ প্রিয় মুখ্যমন্ত্রী শ্রীহিতেশ্বৰ শইকীয়া দেৱৰ সবল নেতৃত্বত ৰাজ্যখনে উল্লেখনীয় ভাৱে অগ্রগতি লাভ কৰিছে । ধংসাত্মক, বিদ্রোহাত্মক আৰু হিংসাত্মক কার্য্যকলাপে সর্ব্বগ্রাসী ৰূপ ধাৰণ কৰাত ৰাজ্যখনত শান্তিৰ বাতাবৰণ যথেষ্ট পৰিমাণে বিঘ্নিত হৈছিল । আইন শৃংখলাৰ পৰিস্থিতি ক্রমান্বয়ে উন্নতি হৈছে । সাময়িক বাধা বিঘিনি স্বত্বেও কল্যাণ আৰু উন্নয়ন মূলক কাম-কাজ সমূহৰ অগ্রগতি অব্যাহত আছে । ৰাজ্যখনত স্থবিৰ হৈ পৰা বিভিন্ন অর্থনৈতিক কাম কাজ সমূহ পুনৰ উজ্জিৱীত হৈছে আৰু সেই একে গতিতে বর্ত্তমানো আগবাঢ়ি আছে ।

**ৰাজ্যিক আয়**

৪ অস্থায়ী হিচাপ অনুযায়ী ১৯৯৩-৯৪ চনৰ অসমৰ প্রকৃত ঘৰুৱা ৰাজ্যিক উৎপাদন চলিত মূল্যত ১২,৪১৯ কোটি আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) ৩,৯৬৩ কোটি টকা । দ্রুত হিচাপ অনুযায়ী ১৯৯৪-৯৫ চনত অসমৰ প্রকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন চলিত মূল্যত ১৩,৭৬৩ কোটি টকা আৰু স্থিৰ মূল্যত ৪,১৬৭ কোটি টকা (১৯৮০-৮১ আধাৰ বছৰ) আৰু ই চলিত মূল্যত শতকৰা ১০.৮ ভাগ আৰু স্থিৰ মূল্যত শতকৰা ৫.২ ভাগ পূর্বৰ বছৰতকৈ বৃদ্ধি সূচায় । অস্থায়ী হিচাপ অনুযায়ী ১৯৯৩-৯৪ চনৰ বছৰটোত জনমূৰি আয়ৰ পৰিমাণ আছিল ৫,২৩৫ টকা আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) আছিল ১,৬৭১ টকা । দ্রুত হিচাপ অনুযায়ী চলিত মূল্যত ১৯৯৪-৯৫ চনৰ জনমূৰি আয়ৰ পৰিমাণ আছিল ৫,৬৮০ টকা আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) ১,৭২০ টকা আৰু শতকৰা হিচাপত পূর্ব্বৰ বছৰতকৈ চলিত মূল্যত শতকৰা ৮.৫ ভাগ বৃদ্ধি আৰু স্থিৰ মূল্যত শতকৰা ২.৯ ভাগ বৃদ্ধি (আধাৰ বছৰ

১৯৮০-৮১) হৈছে ।

মূল্য

৫ পাইকাৰী মূল্যসূচী (আধাৰ ১৯৫৩ ১০০) ১৯৯৩ চনৰ পৰা ১৯৯৪ চনৰ ভিতৰত ৯.৫ শতাংশ বৃদ্ধি পায় । সেই একেসময়তে শ্ৰমিক শ্ৰেণী (আধাৰ ১৯৪৯ = ১০০) গ্ৰাহক মূল্যসূচীয়ে ৭.৫ শতাংশ বৃদ্ধি দেখুৱায় । যিকিনহওঁক বিভিন্ন প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য বৃদ্ধিৰ বাবে খুচুৰা মূল্যৰ গতিবিধি চৰকাৰৰ বাবে উৎকণ্ঠাৰ বিষয় হৈ পৰিছিল । চলিত মূল্যসূচীৰ ওপৰত হোৱা গম্ভীৰ প্ৰতিক্ৰিয়াৰ প্ৰতি লক্ষ্য ৰাখি এই অঞ্চললৈ প্ৰয়োজনীয় সামগ্ৰীৰ সৰবৰাহৰ ক্ষেত্ৰত যাতে কোনো যতি নপৰে তাৰ বাবে ৰাজ্য চৰকাৰে চেম্বাৰ্চ অৰ্ফ কমাৰ্চ, ভাৰতীয় খাদ্য নিগম, ৰেল কৰ্তৃপক্ষ, অন্যান্য সংশ্লিষ্ঠ প্ৰতিষ্ঠান আদিৰ সহযোগত চেষ্টা চলাই আছে । বিশেষ ভাবে স্পৰ্শকাতৰ শ্ৰেণীৰ বাবে সাহায্য প্ৰদানৰ প্ৰতি লক্ষ্যৰাখি গ্ৰাহক সকলক সকাহ দিয়াৰ উৰ্দ্দেশ্যে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰী সমূহ যোগান ধৰিবৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰচেষ্টা অব্যাহত আছে । ৰাজ্য খনৰ ৩০ হাজাৰ খন সুলভ মূল্যৰ দোকান / খুচুৰা বিক্ৰীৰ দোকান ৰাজহুৱা বিতৰণ ব্যৱস্থাই সামৰি লৈছে । ১৯৯৫-৯৬ চনত দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা লোক সকলৰ বাবে প্ৰতি কিলোগ্ৰামত ২ টকাত সুলভ মূল্যৰ চাউল যোগান ধৰা আঁচনিখনে গাইপতি ৪ কিলোকৈ আৰু পৰিয়ালে প্ৰতি ১৬ কিলোকৈ ১৬ লাখ পৰিয়াল আৰু প্ৰায় ৮০ লাখ লোকক সামৰিলৈছে । ইয়াৰ ফলত ৰাজ্যিক ৰাজকোষৰ ব্যয়ৰ বোজা অত্যাধিক হোৱা সত্বেও এই আঁচনিয়ে বৃহৎ সংখ্যক দৰিদ্ৰ পৰিয়াললৈ উল্লেখযোগ্য সহায় আগবঢ়াইছে ।

নিয়োগ

৬.১ নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ চলন্ত পঞ্জী অনুসৰি ৰাজ্যখনত চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা ১৯৯৪ চনৰ জুন মাহৰ শেষত ১৩.১২ লাখৰ পৰা ১৯৯৫ চনৰ জুন মাহৰ শেষত ১২.১১ লাখলৈ অৰ্থাৎ ৮ শতাংশ হ্ৰাস হয় । ১৯৯৫ চনৰ জুন মাহৰ শেষলৈ মুঠ চাকৰী প্ৰাৰ্থীৰ ভিতৰত শিক্ষিত চাকৰীৰ প্ৰাৰ্থীৰ সংখ্যা হল ৭.৪৩ লাখ অৰ্থাৎ মুঠ চাকৰী প্ৰাৰ্থীৰ ৬১ শতাংশ । সেই তাৰিখত মহিলা চাকৰী প্ৰাৰ্থীৰ সংখ্যা আছিল ২.৪৫ লাখ । তাৰ ভিতৰত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ চাকৰী প্ৰাৰ্থীৰ সংখ্যা হ'ল যথাক্ৰমে ০.৬৮ লাখ আৰু ১.০৬ লাখ ।

৬.২ প্ৰাপ্ত তথ্য অনুযায়ী ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সংগঠনৰ চাকৰীয়ালৰ সংখ্যা ১৯৯৪ চনৰ মাৰ্চৰ শেষত ১০.৬৯ লাখৰ তুলনাত ১৯৯৫ চনৰ মাৰ্চৰ শেষত ১০.৯৪ লাখলৈ অৰ্থাৎ ২.৩ শতাংশ বৃদ্ধি পায় । সেই সময়চোৱাত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত নিয়োগৰ বৰ্দ্ধিত হাৰ প্ৰায় একেই থাকে ।

৬.৩ ১৯৯১ চনৰ ১ এপ্রিলৰ পৰা ১৯৯৫ চনৰ ৩০ এপ্রিললৈকে সময়চোৱাত ১১,৬৩,০৮৫ জন নিবনুৱা যুৱকে উপাৰ্জনৰ সুবিধা লাভ কৰে। ইয়াৰ ভিতৰত ৮৮,১২৩ জন *বেতন ভোগী কর্মচাৰী*, ৭,৩১,৯০৭ জন আত্ম সংস্থাপিত আৰু ৩,৪৩,০৫৫ জন চৰকাৰে বিভিন্ন নিয়োগ আঁচনিৰ ৰূপায়ণৰ বাবে উদ্ভাৱন কৰা কর্মদিবসৰ ভিত্তিত চাকৰী কৰি আছে। নিয়োগৰ বাট মুকলি কৰাটো এই চৰকাৰৰ এক প্রধান লক্ষ্য। কোৱা বাহুল্য যে ই দৰিদ্রতা লাঘৱ কৰাৰ পথ প্রশস্ত কৰিব।

গ্ৰামোন্নয়ন

৭.১ মানৱ সম্পদ উন্নয়নৰ লক্ষ্য আগত ৰাখি বিভিন্ন দৰিদ্রতা নির্মূলকৰণ কার্য্যসূচীৰ দ্বাৰা গাৱলীয়া জন সাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নতি সাধন কৰি গ্রাম্য অর্থনীতিৰ মান উন্নয়ন কৰাৰ হকে চৰকাৰৰ প্রচেষ্টা অব্যাহত আছে। ৰূপায়ণৰ পথত অগ্রসৰ হোৱা কার্য্যসূচী সমূহ হৈছে সংহত গ্রামোন্নয়ন কার্য্যসূচী (I.R.D.P.), আত্মসংস্থাপনৰ বাবে গ্রাম্য যুৱকৰ প্রশিক্ষণ (TRYSEM), গ্রাম্য অঞ্চলৰ মহিলা আৰু শিশুৰ উন্নয়ন (D.W.C.R.A), জৱাহৰ ৰোজগাৰ যোজনা (J.R.Y[), নিয়োগ আশ্বাস আঁচনি (E.A.S), সংহত গ্রাম্য শক্তি কার্য্যসূচী (I.R.E.P.), বায়'গেছ উন্নয়নৰ ৰাষ্ট্ৰীয় কার্য্যসূচী (N.P.B.D) আৰু ইন্দিৰা আৱাস যোজনা (I.A.Y)।

৭.২ ১৯৯১-৯২ চনৰ পৰা ১৯৯৫ চনৰ নৱেম্বৰৰ শেষলৈকে I.R.D.P. ৰ অধীনত ২.৪ লাখ টা পৰিয়াল উপকৃত হৈছে। চলিত বছৰৰ বাকী সময় চোৱাৰ ভিতৰত আন ২০ হাজাৰটা পৰিয়ালে উপকৃত হোৱাৰ আশা কৰিছোঁ।

৭.৩ ১৯৯১-৯২ চনৰ পৰা ১৯৯৫ চনৰ নৱেম্বৰৰ শেষলৈকে TRYSEM ৰ অধীনত ৩৭,৯৩৮ জন যুৱকে বিভিন্ন ব্যৱসায়ত আত্ম-সংস্থাপনশীল হ'বলৈ প্রশিক্ষণ লাভ কৰিছে। চলিত বিত্তীয় বছৰৰ বাকী সময়চোৱাত আন ৬,২৫৯ জনে এই প্রশিক্ষণ লাভ কৰিব।

৭.৪ ১৯৯১-৯২ চনৰ পৰা ১৯৯৫ চনৰ নৱেম্বৰ মাহৰ শেষলৈকে D.W.C.R.A অধীনত ২,৮৫৬ টা মহিলা দল স্থানীয় পৰিবেশত তেওঁলোকৰ কর্মশৈলী অনুযায়ী অর্থনৈতিক দিশত ভাগ ল'ব পৰাকৈ আর্থিক ভাৱে উপকৃত হৈছে। আন ২৫৭ টা মহিলাৰ দলেও চলিত বিত্তীয় বছৰৰ বাকী সময়চোৱাৰ ভিতৰত আর্থিক সাহায্য লাভ কৰিব।

৭.৫ জৱাহৰ ৰোজগাৰ যোজনাৰ অধীনত ১৯৯১-৯২ চনৰ পৰা ১৯৯৫ চনৰ নৱেম্বৰ মাহৰ শেষলৈকে প্রায় ৮০৬ লাখ কর্ম্ম দিৱস ৰূপায়ণৰ ব্যৱস্থা কৰা হয়। চলিত বিত্তীয় বছৰৰ বাকী সময়চোৱাৰ ভিতৰত আন ৮৯ লাখ

কৰ্মদিৱস ৰূপায়িত হব ।

৭.৬ ১৯৯৩-৯৪ চনত আৰম্ভ কৰা কৰ্ম্ম সংস্থান প্ৰতিশ্ৰুতি আঁচনি (E.A.S) খনে ১৯৯৫ চনৰ ডিচেম্বৰ মাহলৈকে ২০০ লাখ কৰ্ম্ম দিৱস ইতিমধ্যে সামৰি লৈছে আৰু বিত্তীয় বছৰটোৰ বাকী থকা দিন কেইটাত আৰু ৭৭ লাখ কৰ্ম্মদিৱস সামৰি লব পৰা যাব বুলি আশা কৰা হৈছে ।

৭.৭ ইন্দিৰা আৱাস যোজনা (I.A.Y) ৰ অধীনত ১৯৯১-৯২ চনৰ পৰা ১৯৯৫ চনৰ ডিচেম্বৰ মাহৰ শেষ পৰ্য্যন্ত দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰা লোকৰ বাবে সৰ্ব্বমুঠ ২৫,৫৬০ টা আৱাস গৃহৰ নিৰ্ম্মাণ সম্পূৰ্ণ কৰা হৈছে আৰু বাকী ৭ হাজাৰ তেনে গৃহ বিত্তীয় বছৰটোৰ বাকী থকা কালছোৱাত সম্পূৰ্ন কৰিব পৰা যাব বুলি আশা কৰা হৈছে ।

৭.৮ ওপৰত উল্লেখ কৰা আঁচনি সমূহৰ বাদেও গ্ৰামোন্নয়ণৰ অধীনত বৰ্ত্তমান গ্ৰাম্য কলাকুশলীৰ বাবে উন্নত মানৰ হাঠিয়াৰ পাতিৰ যোগান আৰু গ্ৰাম্য সমূহীয়া জীৱন বীমা আঁচনি প্ৰবৰ্ত্তন কৰিব বিচৰা হৈছে । প্ৰথম কাৰ্য্যসূচীত ১৯৯২-৯৩ চনৰ পৰা ১৯৯৩-৯৪ চনলৈকে মুঠ ১০,০২৪ সদস্যক সামৰি লোৱা হৈছে আৰু ২য় পৰ্য্যায়ৰ কাৰ্য্যসূচীৰ অধীনত ৪০,১০১ লোকৰ প্ৰত্যেকৰ বাবে বছৰি ৫০০০ টকাকৈ বীমা কৰা হয় ।

### অনুষ্ঠানিক বিত্ত

৮ ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে আনুষ্ঠানিক বিত্তীয় তথা অন্যান্য বিত্তীয় অনুষ্ঠান প্ৰতিষ্ঠানৰ ভূমিকা গুৰুত্ব পূৰ্ণ । বিত্তীয় খণ্ডক অধিক ফলপ্ৰসূ কৰি তোলাৰ ক্ষেত্ৰত বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ সামগ্ৰীক পৰিচালনা আৰু কাৰ্য্যদক্ষতা অতীৱ গুৰুত্বপূৰ্ণ বিষয় । আৰ্থ সামাজিক উন্নয়নৰ পৰিৱৰ্তন সাধনৰ ক্ষেত্ৰত ৰাজ্যখনৰ ভিতৰত পুঁজিৰ আহৰণ বৃদ্ধি আৰু বিনিয়োগৰ পৰিমাণ বৃদ্ধি দুয়োটা ক্ষেত্ৰতে বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ ওপৰত যথেষ্ট পৰিমানে নিৰ্ভৰ কৰে । ৩০-৬-৯৫ তাৰিখলৈকে অসমত সৰ্ব্বমুঠ বেংকৰ শাখা হ'ল ১২৯৯ টা অৰ্থাৎ সৰ্ব্বভাৰতীয় গড় হিচাপত বেংকৰ প্ৰতিটো শাখাই সেৱা আগবঢ়োৱা লোকৰ সংখ্যা হ'ল ১৪ হাজাৰ জন আৰু তাৰ বিপৰীতে অসমত সেই সংখ্যা হ'ল গড়ে ১৯ হাজাৰ জন । যিহেতুকে অন্যান্য ঠাইত বেংকৰ পৰিমান যথেষ্ট সেয়ে ৰাজ্য খনত থকা বেংকৰ সেৱাৰ গুণগত মান বৃদ্ধিৰ বিষয়টোক গুৰুত্ব দিয়াটো যথেষ্ট আৱশ্যক । ৰাজ্যখনৰ ভিতৰত থকা বেংক সমূহত ঋণদানৰ অনুপাত বৃদ্ধিৰ বিষয়টোৰ প্ৰতি গুৰুত্ব দিয়াটো আৱশ্যকতা আছে । ৰাজ্য খনত মুঠ জমাৰ পৰিমাণ ১৯৯৪ চনৰ জুন মাহত হোৱা ৩৪৫৪ কোটি টকাৰ বিপৰীতে ১৯৯৫ চনৰ জুন মানত শতকৰা ১৯ ভাগ বৃদ্ধিৰে ৪১৫৫ কোটি টকা হয় । কিন্তু

কোটি টকাৰ বিপৰীতে ১৩

শতাংশ বৃদ্ধিৰে ১৯৯৫ চনৰ জুনত ১৬৫৮ কোটি টকা হয়। ১৯৯৫ চনৰ জুন মাহ প্ৰৰ্য্যন্ত অসমত ঋণ দানৰ পৰিমাণ আছিল ৪০ শতাংশ আৰু তাৰ বিপৰীতে সৰ্ব্বভাৰতীয় পৰিমাণ আছিল ৬১ শতাংশ। বুনিয়াদী সা-সুবিধাৰ অভাৱ, বৃজন পৰিমাণৰ উদ্যোগিক গোটৰ অভাৱ, পুতৌজনক ঋণ আদায়ী ব্যৱস্থা আৰু উদ্যোগিক গোটত বৃজন পৰিমাণৰ বিনিয়োগৰ ক্ষেত্ৰত অনুকূল পৰিবেশৰ উদগনিৰ অভাৱ ইত্যাদিয়েই প্ৰধান অন্তৰায় বুলি চিহ্নিত কৰা হৈছে। ঋণদানৰ অনুপাত বৃদ্ধিকৰণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে বিভিন্ন বাস্তৱ মুখী ব্যৱস্থাৱলী হাতত লৈছে আৰু বেংক হিতাধিকাৰী আৰু ৰাজ্যখনৰ সংশ্লিষ্ট বিভাগীয় বিষয়াৰ মাজত ক্ষেত্ৰ বিশেষে সমন্বয় সাধনৰ বাবে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে অলপতে গুৱাহাটীত আনুষ্ঠানিক ভাৱে উদ্বোধন কৰা উত্তৰ পূৰ্ব্বাঞ্চল বিত্তীয় উন্নয়ন নিগমে এই সমস্যা সমাধানত কিছু পৰিমানে বৰঙনি আগবঢ়াব বুলি আশা কৰা হৈছে।

**ক্ষুদ্ৰ সঞ্চয়**

৯.১ সন্মানিত সদস্য সকলে জানে যে ৰাজ্য চৰকাৰৰ বাবে ক্ষুদ্ৰ সঞ্চয়ৰ পৰা সংগৃহীত (শুদ্ধ) পুঁজি (ৰাজ্য খনৰ সৰ্ব্বমুঠ বিনিয়োগৰ পৰা বিত্তীয় বৰ্ষত উলিওৱা (withdrawal) ধনৰ পৰিমাণ বাদ দি) ৰ ৭৫ শতাংশ ৰাজ্য চৰকাৰে কেন্দ্ৰৰ পৰা ঋণ সাহায্য হিচাপে পায়। ভাৰত চৰকাৰে ১৯৯৫ চনৰ পহিলা এপ্ৰিলৰ পৰা বিভিন্ন প্ৰতিষ্ঠান সমূহে ক্ষুদ্ৰ সঞ্চয়ত পুঁজি বিনিয়োগ কৰাটো বন্ধ কৰাৰ বাবে ১৯৯৫ চনৰ পহিলা এপ্ৰিলৰ পৰা ৰাজ্য চৰকাৰৰ এই গুৰুত্বপূৰ্ণ ৰাজহৰ ক্ষেত্ৰত এক সাংঘাটিক প্ৰতিবন্ধকতা আহি পৰিছে। ফল স্বৰূপে ব্যক্তিগত ভাৱে ক্ষুদ্ৰ সঞ্চয়ত বিনিয়োগ কৰা টকাৰ পৰিমাণ হ্ৰাস হোৱাৰ বাবে ৰাজ্য চৰকাৰে পোৱা ক্ষুদ্ৰ সঞ্চয় ঋণৰ পৰিমাণো ক্ৰমান্বয়ে হ্ৰাস পাইছে। এই সিদ্ধান্তৰ ফলশ্ৰুতি ৰাজ্য খনৰ বাবে অসুবিধা জনক হৈ পৰিছে। ১৯৯৪-৯৫ চনত ক্ষুদ্ৰ সঞ্চয়ৰ পৰা পোৱা ৰাজ্য চৰকাৰে ৩৮৮ কোটি টকাৰ ঋণৰ বিপৰীতে ১৯৯৫-৯৬ চনত অৰ্থাৎ ১৯৯৫ চনৰ ডিচেম্বৰ মাহলৈকে ১৫০ কোটি টকাহে ঋণ পাইছে আৰু ১৯৯৬ চনৰ মাৰ্চ মাহলৈকে চলিত বিত্তীয় বৰ্ষত আনুমানিক ভাৱে কিছু পৰিমাণে উক্ত ঋণ বৃদ্ধি হোৱাৰ আশা কৰিব পৰা যায়। ১৯৯৫ চনৰ মে মাহত কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ সলনিৰ বাবে অসম চৰকাৰে অনুৰোধ জনায় যাতে ক্ষুদ্ৰ সঞ্চয় ঋণৰ প্ৰতিবন্ধকতাৰ পৰা সন্মুখীন হোৱা আৰ্থিক অনাটণ দূৰীকৰণৰ বাবে ৰাজ্য সমূহক সমানুপাতিক হাৰে মুকলি ঋণ আহৰণৰ বাবে সুবিধা প্ৰদান কৰা হয়।

৯.২ ৰাজ্য চৰকাৰৰ ফালৰ পৰা ক্ষুদ্ৰ সঞ্চয় বৃদ্ধিৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰে। সকলো উপায়ুক্ত আৰু মহকুমাধিপতিক প্ৰচাৰ অভিযানত

মহকুমাধিপতি সকলৰ লগত একোজন অতিৰিক্ত সহকাৰী আয়ুক্তক এই কাম চোৱাচিতাৰ বাবে নিযুক্ত কৰা হৈছে ।

**শক্তি**

১০.১ কোনো এক অঞ্চলৰ বিকাশৰ বাবে শক্তি হৈছে এক অপৰিহাৰ্য্য উপাদান । সেয়েহে চৰকাৰে ৰাজ্যখনৰ শক্তি সেৱা সমূহৰ উন্নয়নৰ বাবে বিশেষ মনোযোগ দিছে । অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰতিষ্ঠাপন ক্ষমতা ১.৪.৯৫ তাৰিখত আছিল ৫৫৪ মেগাৱাট, ১-১-৯৬ তাৰিখত ই ৫৭৪ মোগাৱাটলৈ বৃদ্ধি পাইছে । চলিত বিত্তীয় বছৰটোত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ দ্বাৰা মুঠ বৈদ্যুতিক শক্তিৰ উৎপাদনৰ পৰিমাণ আগৰ বিত্তীয় বছৰৰ ৮১৬ নিযুট ইউনিটৰ তুলনাত ১৯৯৫ চনৰ ডিচেম্বৰ মাহৰ শেষলৈকে ৯৭৭ নিযুট ইউনিট হৈছেগৈ । চলিত বিত্তীয় বছৰৰ ১৯৯৬ চনৰ মাৰ্চলৈকে বৈদ্যুতিক শক্তিৰ প্ৰকৃত উৎপাদনৰ পৰিমাণ হৈছে আনুমানিক ১৩৭৩ নিযুট ইউনিট । বিগত বিত্তীয় বছৰৰ যান্ত্ৰিক উৎপাদন ক্ষমতা (PLF) ২৪.৬০ শতাংশৰ তুলনাত চলিত বিত্তীয় বছৰৰ ডিচেম্বৰৰ শেষলৈকে ২৯.৪৪ শতাংশ হৈছে । শুল্ক নিৰিখৰ কথা কবলৈ হলে, এটা কথা উল্লেখ কৰিব লাগিব যে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ১৯৯৪ চনৰ চেপ্তেম্বৰ মাহত উত্থাপন কৰা সংশোধিত নিৰিখৰ তালিকা ১৯৯৫ চনৰ অক্টোবৰ মাহত আদালতৰ নিষ্পত্তি নোহোৱাকৈ থকা গোচৰ সমূহৰ নিষ্পত্তি হোৱাৰ পিচত সম্পূৰ্ণকৈ বলবৎ হয় । শক্তি বিতৰণৰ খৰছৰ তুলনাত ই কম যদিও সংশোধিত নিৰিখে বিদ্যুত পৰিষদৰ ৰাজহৰ পৰিমাণ বৃদ্ধি কৰাত সহায় কৰিছে । ৰাজ্য খনৰ বিজুলী শক্তিৰ চাহিদা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে । বিজুলী সৰবৰাহৰ বাবে আৰু ৰাজহ আদায়ৰ বাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে উপযুক্ত ব্যৱস্থা হাতত লৈছে ।

১০.২ ১৯৯৫ চনৰ মাৰ্চলৈকে ২১,৪৯৫ খন গাঁৱত বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা হৈছে । চলিত বিত্তীয় বছৰত ২০০ খন নতুন গাঁৱত বৈদ্যুতিকৰণ কৰাৰ, পূৰ্বতে বৈদ্যুতিকৰণ কৰা ৩৪৮ খন গাঁৱৰ বৈদ্যুতিক ব্যৱস্থাৰ উন্নতকৰণ আৰু ৪০০ খন গাঁৱত অসম্পূৰ্ণ হৈ থকা বৈদ্যুতিক ব্যৱস্থা সম্পূৰ্ণ কৰিবলৈ চৰকাৰে কাৰ্য্যসূচী হাতত লৈছে । কুটীৰ জ্যোতি আঁচনিৰ অধিনত ১৯৯৫ চনৰ মাৰ্চ মাহলৈকে ১৮,০৫১ টা গৃহত বৈদ্যুতিকৰণ ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে আৰু চলিত বিত্তীয় বছৰত এই কাৰ্য্যসূচী ৰূপায়ণৰ কাম অব্যাহত আছে ।

**কৃষি**

১১.১ ৰাজ্য খনৰ অৰ্থনীতি ঘাইকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল, সৰ্ব্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ৩৬ শতাংশই কৃষিৰ পৰা হোৱা আৰু জনসংখ্যাৰ [illegible] শতাংশই জীৱিকা নিৰ্বাহৰ বাবে এই খণ্ডত নিয়োজিত হৈ আছে । ১৯৯১

চনৰ লোকপিয়ল অনুসৰি মুঠ কৰ্মশক্তিৰ ৬৪ শতাংশই হৈছে কৃষি শ্ৰমিক। খাদ্য বস্তুৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ খাদ্যবস্তু, তৈলবীজ আৰু উদ্যান শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ দিশত চৰকাৰে মনোনিবেশ কৰিছে। ১৯৯১-৯২ বছৰটোত ৰাজ্যখনত খাদ্য শস্যৰ উৎপাদনৰ পৰিমাণ হৈছে ৩৩.৬৮ লাখ টন। ১৯৯৪-৯৫ বছৰটোত এই উৎপাদন বৃদ্ধি হৈছে ৩৯.৭১ লাখ (১৭.৯ শতাংশ বৃদ্ধি) টনলৈ। ১৯৯৫-৯৬ চনত এই উৎপাদন ৪০.৪০ লাখ টনলৈ বৃদ্ধিৰ আশা কৰা হৈছে। ১৯৯১-৯২ চনত চাউলৰ উৎপাদনৰ পৰিমান আছিল ৩১.৯৭ লাখ টন আৰু ১৯৯৪-৯৫ চনত ই ৩৭.২২ লাখ টনলৈ (১৬.৪২ শতাংশ বৃদ্ধি) বৃদ্ধি পাইছে। ১৯৯৫-৯৬ চনত এই উৎপাদন ৩৭.৮২ লাখ টনলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ তৈল বীজৰ উৎপাদন ১৯৯১-৯২ বছৰটোত আছিল ২.০৬ লাখ টন আৰু ১৯৯৪-৯৫ বছৰটেত ই ২.৯৩ লাখ টনলৈ (৪২ শতাংশ বৃদ্ধি) বৃদ্ধি পাইছে। ১৯৯৫-৯৬ বছৰটোত তৈলবীজৰ উৎপাদনৰ পৰিমাণ একেই হাৰত বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে।

১১.২ গ্ৰাম্য অঞ্চলত কৃষি কাৰ্য্যৰ উন্নয়নৰ জড়িয়তে নিয়োগ বৃদ্ধি কৰাৰ উদ্দেশ্যে আৰু প্ৰত্যেক টো কৃষক পৰিয়ালক বিজ্ঞান সন্মত পদ্ধতিৰে কৃষিকাৰ্য্যত মনোনিবেশ কৰাবলৈ ৰাজ্যখনত পথাৰ পৰিচালনা সমিতি (পি,পি,এচ) গঢ়ি তোলা হৈছে আৰু বৰ্তমানলৈকে ২১,৮০০ খন পথাৰ পৰিচালনা সমিতি পঞ্জীয়ন কৰা হৈছে।

উদ্যোগ

১২.১ ঔদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত স্থানীয় সম্পদৰাজিৰ ওপৰত গঢ় লৈ উঠা উদ্যোগ সমূহক উদগনি দি অৰ্থনীতিক পুনৰোজ্জীবিত কৰা আৰু লাভজনক স্বনিয়োজন ক্ষেত্ৰ গঢ়ি তোলাটো ৰাজ্য চৰকাৰৰ এক প্ৰধান নীতি। এই প্ৰসঙ্গতে অনেক ধৰণৰ উদগনিমূলক এলানি ব্যৱস্থা চলি থকা ৰাজ্য চৰকাৰৰ ঔদ্যোগিক নীতিৰ এটা অংশ বিশেষ। ৰাজ্য চৰকাৰে ৰাজ্যখনত নতুন ঔদ্যোগিক গোট স্থাপন কৰাৰ বাবে উৎসাহ দিছে আৰু লগতে ব্যক্তিগত উদ্যোগ আৰু ৰুগ্নপ্ৰায় ঔদ্যোগিক গোট সমূহক পুনৰুজ্জিৱীত কৰাৰ প্ৰয়াস কৰিছে। যোগীঘোপাত থকা অশোক কাগজ কলটোক পুনৰুজ্জিৱীত কৰাৰ বাবে ব্যক্তিগত পৰিচালনাত দিয়াটো এক গুৰুত্বপূৰ্ণ পদক্ষেপ। কাছাৰ চেনী কলটোক পুনৰুজ্জিৱীত কৰাৰ প্ৰচেষ্টা হিচাপে ব্যক্তিগত পৰিচালনাত দিয়াৰ পিছৰ পৰা আশাব্যঞ্জ্যক ফল পোৱা গৈছে। ৰিলায়েন্স গোষ্ঠীৰ ৰিলায়েন্স অসম পেট্ৰোকেমিকেল লিমিটেডৰ অধীনত ডিব্ৰুগড় জিলাৰ টেঙাখাটত অসম গেচ ক্ৰেকাৰ প্ৰকল্পৰ অধাৰশিলা মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে যোৱা ২৪-১১-৯৫ তাৰিখে স্থাপন কৰে। প্ৰকল্পটোৰ কাম কাজ খৰটকীয়া কৰিবৰ বাবে ৰাজ্য চৰকাৰে ৰিলায়েন্স গোষ্ঠী আৰু ভাৰত

শোধনাগাৰৰ কাম কাজ পূৰ্ণগতিত আগ বাঢ়িছে। এই কোম্পানীত অসম চৰকাৰৰ ১০ শতাংশ ইকুইটি শ্বেয়াৰ (equity share) আছে। অসম চৰকাৰে ১৪.৯২ কোটি ব্যয় সাপেক্ষে গুৱাহাটীৰ আমিন গাঁৱত এখন ঔদ্যোগিক ৰপ্তানি বজাৰ (E.P.I.P) স্থাপন কৰিছে। এই আঁচনিৰ বাবে ৰাজ্য চৰকাৰক কেন্দ্ৰীয় চৰকাৰে ১০ কোটি টকাৰ সাহায্য আগবঢ়াইছে।

১২.২ ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগত প্ৰচুৰ নিয়োজনৰ সুবিধা আছে আৰু সেয়ে ৰাজ্য চৰকাৰে এই উদ্যোগৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগৰ অধীনত প্ৰায় ১৩,৭০৩ টা ক্ষুদ্ৰ উদ্যোগ আৰু ১৯৯১-৯২ চনৰ পৰা ১৯৯৫ চনৰ নবেম্বৰ মাহলৈকে এই উদ্যোগ সমূহৰ পৰা স্বনিয়োজনৰ জৰিয়তে ৪৮,৫৯৪ জন লোক উপকৃত হয়। ঠিক একেদৰে হস্তশিল্প খণ্ডতো ১২,৩৬৫ টা গোট আছে আৰু প্ৰায় ৩১,২৩৯ জন লোক ইয়াৰ দ্বাৰা সংস্থাপিত হৈছে। প্ৰধানমন্ত্ৰীৰ ৰোজগাৰ যোজনা (PMRY) ৰ অধীনত ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত ৭,২২২ জন যুৱকৰ প্ৰত্যেককে ১ লাখ টকাৰ ওপৰত তেওঁলোকৰ স্বনিয়োজন ব্যৱস্থাৰ বাবে মঞ্জুৰ কৰা হয়। এই আঁচনিৰ অধীনত চলিত বিত্তীয় বৰ্ষত অৰ্থাৎ ১৯৯৬ চনৰ ফেব্ৰুৱাৰী পৰ্য্যন্ত ৭,২০০ যুৱকক এনে ঋণ প্ৰদান কৰা হয়। এই বিত্তীয় বৰ্ষৰ শেষলৈকে প্ৰায় ৯,৯০০ যুৱকক ঋণ বিতৰণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে। বিপথগামী যুৱকৰ পুনৰ সংস্থাপন আঁচনিৰ জৰিয়তে ৫৮৯৮ জন যুৱকক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে, ৪৩০৮ টা ঋণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে আৰু সৰহ সংখ্যককে ঋণ দান আৰু মঞ্জুৰী প্ৰদান কৰা হৈছে। অন্যান্য ক্ষেত্ৰত অনুমোদন জনোৱা ঋণৰ বিষয়টো বেংকৰ লগত যোগাযোগ কৰি থকা হৈছে। ৰাজ্য চৰকাৰে এই বিষয়টোত জোৰ দি ধৰি আছে।

### শিক্ষা

১৩.১ বৰ্ত্তমান চৰকাৰৰ দিনতে প্ৰাথমিক শিক্ষাৰ খণ্ডৰ অন্তৰ্গত ৩০০০ খন প্ৰাথমিক বিদ্যালয়ৰ প্ৰাদেশিকৰণ কৰা হৈছে। আৰম্ভনিতে এজনীয়া শিক্ষকৰ বিদ্যালয় সমূহৰ সলনি কৰি দুজনীয়া শিক্ষকৰ বিদ্যালয় কৰিবলৈ ৭৬০৬ টা প্ৰথমিক বিদ্যালয়ত শিক্ষকৰ পদ সৃষ্টি কৰা হয়। ক্ৰমান্বয়ে অপাৰেচন ব্লেকবৰ্ড আঁচনিৰ অধীনত ভাৰত চৰকাৰে প্ৰতিখন ১০০ জনতকৈ অধিক ছাত্ৰ থকা প্ৰাথমিক বিদ্যালয়ৰ বাবে ১৭৩২ টা তৃতীয় শিক্ষকৰ পদ সৃষ্টি কৰাৰ প্ৰস্তাৱক অনুমোদন জনাইছে। ১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ চনৰ সময়ছোৱাত একেলগে বড়ো মাধ্যমৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ ৩০০ টা পদ, মিচিং ভাষাৰ শিক্ষকৰ ১০০ টা পদ আৰু ১০০ টা নেপালী ভাষাৰ শিক্ষকৰ পদ সৃষ্টি কৰা হৈছে। ১৯৯৫-৯৬ চনত প্ৰৱৰ্ত্তন কৰা "প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ বাবে মধ্যাহ্ন ভোজন আঁচনি" ৰ অধীনত প্ৰত্যেকজন

১৯৯৪-৯৫ চনৰ পৰাই কাৰ্বি আংলং, ধুবুৰী, মৰিগাওঁ আৰু দৰং জিলাত বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত জিলা প্ৰাথমিক শিক্ষা কাৰ্য্যসূচীৰ (D.P.E.P) ৰূপায়ণ কৰা হৈছে।

১৩.২ মাধ্যমিক শিক্ষা খণ্ডত ১৯৯১-৯২ চনৰ পৰা বৰ্তমানলৈকে ৮১৯ খন হাইস্কুল আৰু হাইমাদ্ৰাছাৰ প্ৰাদেশিকীকৰণ কৰা হয়। ইয়াৰে ২৫৬ খন চলিত বিত্তীয় বৰ্ষত প্ৰাদেশিকীকৰণ কৰা হয় ইয়াৰ উপৰিও চলিত বিত্তীয় বছৰতে ২৫৪ খন হাইস্কুল আৰু হাই মাদ্ৰাছা স্কুলক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হয়।

১৩.৩ আনুষ্ঠানিক আৰু প্ৰাপ্তবয়স্ক শিক্ষা আঁচনি খনৰো ৰূপায়ণ কৰি থকা হৈছে। কটন কলেজক সৰ্বোত্তম শিক্ষা কেন্দ্ৰ তথা স্নাতকোত্তৰ প্ৰতিষ্ঠান ৰূপে গঢ়ি তোলা হৈছে। ১৯৯১-৯২ চনৰ পৰা বৰ্তমানলৈকে ১৯০ খন মহাবিদ্যালয়ক ঘাটি সাহায্য মন্জুৰী ব্যৱস্থাৰ অধীনলৈ অনা হৈছে। ইয়াৰে ৩২ খন মহাবিদ্যালয়ক ১৯৯৫-৯৬ চনৰ সমুচোৱাত ঘাটি সাহায্য মন্জুৰীৰ ব্যৱস্থাৰ অধীনলৈ অনা হৈছে।

১৩.৪ শিক্ষা খণ্ডত সৰ্বমুঠ ৩৯,৯৩৭ টা শিক্ষকৰ পদ নতুনকৈ সৃষ্টি কৰা হয় আৰু ১৯৯১-৯২ চনৰ পৰা ১৯৯৫-৯৬ চনলৈকে এই নিযুক্তি সমূহৰ ব্যৱস্থা কৰা হয়। পদ সমূহ এনে দৰে ভাগ কৰা হৈছে ঃ-

প্ৰাথমিক শিক্ষা খণ্ডত -২৫৬৩১ টা

মাধ্যমিক শিক্ষা খণ্ডত -১৩১৩৮ টা আৰু

উচ্চ শিক্ষা খণ্ডত -১১৬৮ টা পদ অৰ্থাৎ মুঠ ৩৯,৯৩৭ টা পদ।

১৩.৫ তেজপুৰ আৰু শিলচৰৰ কেন্দ্ৰীয় বিশ্ব বিদ্যালয় দুখন আৰু গুৱাহাটীৰ আই আই টি খন ভাড়া ঘৰৰ পৰা কাম কাজ চলাই থকা হৈছে। এই দুখন কেন্দ্ৰীয় বিশ্ব বিদ্যালয় আৰু আই আই টি নিৰ্মাণৰ প্ৰাৰম্ভিক কাম কাজ আৰম্ভ ইতিমধ্যে কৰা হৈছে।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ

১৪.১ আৰ্থ সামাজিক উন্নয়নৰ ক্ষেত্ৰত জনগনৰ প্ৰতি আগবঢ়োৱা স্বাস্থ্য সেৱাই মুখ্য ভুমিকা পালন কৰে। স্বাস্থ্য খণ্ডত আৱশ্যক অনুযায়ী সেৱা আগবঢ়োৱা ব্যৱস্থাত অচলতা দূৰীকৰণ ব্যৱস্থা তৎকালে লব লাগিব। 'কুৰি শতিকাত সকলোৰে বাবে স্বাস্থ্য' এই লক্ষ্যত থকা ৰাষ্ট্ৰীয় নীতি আমিও ৰূপায়ন কৰিব লাগিব। জনগনলৈ প্ৰাথমিক সেৱাৰ সুবিধা আগবঢ়োৱাৰ বাবে ১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ চনলৈকে সৰ্বমুঠ [illegible]

(P.H.C) আৰু ৯০ খন সমূহীয়া স্বাস্থ্য কেন্দ্ৰ (C.H.C) স্থাপন কৰা হয়। বৰ্ত্তমান ১৯৯৫-৯৬ চনৰ বিত্তীয় বৰ্ষত ৫০ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ১৩ খন সমূহীয়া স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰাৰ কাম চলিছে। ১৯৯১-৯২ চনৰ পৰা বৰ্ত্তমানলৈকে তিনিখন ২০০ খন বিচনাযুক্ত চিকিৎসালয় আৰু দুখন ১০০ খন বিচনা যুক্ত চিকিৎসালয় স্থাপন কৰা হৈছে। তাৰ বাদেও চাৰিখন ২০০ বিচনাযুক্ত চিকিৎসালয় আৰু ৮ খন ১০০ খন বিচনা যুক্ত চিকিৎসালয় স্থাপনৰ কাম কাজ আগবাঢ়িছে। জনগনলৈ প্ৰাথমিক চিকিৎসালয় স্থাপনৰ জৰিয়তে আগবঢ়োৱা সেৱাৰ বাদেও সোঁচৰা ব্যাধি আৰু সাধাৰণ ব্যাধি বিলাক যেনেঃ- মেলেৰিয়া, ফাইলেৰিয়া, কুষ্ঠ, যক্ষ্মা, এইডচ, গৰল আৰু অন্ধতা নিৰ্ম্মূলকৰণ আৰু নিয়ন্ত্ৰনৰ বাবে বিভিন্ন জনস্বাস্থ্যমূলক সেৱা আগবঢ়োৱাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এইডচ ৰোগ বিয়পাটো নিয়ন্ত্ৰন কৰাৰ বাবে গুৱাহাটীত ৰাজ্যিক চাৰ্ভিলিয়েন্দ কেন্দ্ৰ আৰু এটা পৰামৰ্শ গোট স্থাপন কৰা হৈছে। তাৰোপৰি সাতটা যৌন সংস্পৰ্শৰ পৰা ঘটা ৰোগ নিৰ্নয় কেন্দ্ৰ আৰু তিনিটা আঞ্চলিক তেজ নিৰূপন কেন্দ্ৰ ৰাজ্যখনত স্থাপন কৰা হয়।

১৪.২ এশ শতাংশ কেন্দ্ৰীয় সাহায্য পুষ্ট তথা কেন্দ্ৰই পৃষ্ঠপোষকতা কৰা পৰিয়াল কল্যাণ আঁচনিখনো সফলতাৰে ৰূপায়িত হৈ আছে। মাতৃ আৰু শিশুৰ প্ৰতি আগবঢ়োৱা সেৱা আৰু প্ৰতিষেধক বেজীৰ এই আঁচনিখন বহুলভাবে ৰূপায়িত কৰা হব। চলিত বিত্তীয় বছৰতে ভাৰত চৰকাৰৰ অনুৰোধ মৰ্মে দেশৰ অন্যান্য ঠাইত ৰূপায়িত হোৱাৰ দৰেই আমাৰ ৰাজ্যতো পালচ পলিঅ' প্ৰতিষেধক কাৰ্য্যসূচীখন সফলতাৰে ৰূপায়িত হয়। বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত প্ৰকল্প আই পি পি - IX ৰ জৰিয়তে বিশেষ ভাবে মাতৃ আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ সা-সুবিধা সমূহ বৃদ্ধি কৰাৰ অভিপ্ৰায়েৰে লোৱা কাৰ্য্যসূচীৰো সফল ভাবে ৰূপায়ণ কৰি থকা হৈছে।

১৪.৩ ৰাজ্যখনত এলোপেথিৰ উপৰিও অন্যান্য চিকিৎসা পদ্ধতি যেনে আয়ুৰ্বেদ আৰু হেমিওপেথিৰ বিস্তৰ উন্নতি সাধন হৈ আছে।

১৫ পথ পৰিবহন হ'ল প্ৰগতিৰ এক প্ৰধান বুনিয়াদ। বৰ্ত্তমানৰ পথ আৰু দলং সমূহ উপযোক্ত ভাবে ৰক্ষণা বেক্ষণ আৰু মোৰামতি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইণ্ডো-বাংলাদেশ সীমান্ত পথ আঁচনিৰ অধীনত বৰ্ত্তমানলৈ ১০০ কিলোমিটাৰ সীমান্ত পথ আৰু তাৰ ওপৰত ৪৯ খন দলং নিৰ্মাণ কৰা হৈছে। এই আঁচনিৰ অধীনত ১২৩ কিলোমিটাৰ জুৰি সীমান্ত কাঁইটিয়া তাৰৰ বেৰা সম্পূৰ্ণ কৰি তোলা হৈছে। চলিত বিত্তীয় বছৰত নৰ্নৈৰ ওপৰত থকা ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত এখন আৰ,চি,চি দলংৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। বিশ্ব বেংকৰ সাহাৰ্য প্ৰাপ্ত অসম গ্ৰাম্য বুনিয়াদী আৰু

গড় কাপ্তানী

কৃষি সেৱা প্ৰকল্পৰ অধীনত গ্ৰাম্য পথ নিৰ্মাণৰ প্ৰাথমিক কাম কাজ সমূহ গড়কাপ্তানী বিভাগে হাতত লৈছে ।

নগৰ উন্নয়ন

১৬ গুৱাহাটী মেট্ৰোপলিতান উন্নয়ন কৰ্তৃপক্ষৰ দ্বাৰা গুৱাহাটীত বিভিন্ন উন্নয়ন মূলক আঁচনি যেনে উদ্যান, বজাৰ, বাছ আস্থান আদিৰ উন্নয়নৰ কাৰ্য্যসূচী ৰূপায়ণ কৰি থকা হৈছে। দিশপুৰত স্থায়ী ৰাজধানী নিৰ্মাণৰ প্ৰাথমিক কাম-কাজ আৰম্ভ কৰা হৈছে। ৰাজ্যিক ৰাজধানী নিৰ্মাণৰ বাবে দশম বিত্তীয় আয়োগে এই সংক্ৰান্তত ধাৰ্য্যকৰা ৬০ কোটি টকাৰ পৰা ১২ কোটি টকা লোৱাৰ প্ৰস্তাৱ ১৯৯৬-৯৭ চনৰ বাজেট প্ৰাক্কলনত উত্থাপন কৰা হৈছে। চলিত বিত্তীয় বছৰত কেন্দ্ৰই পৃষ্ঠপোষকতা কৰা নেহেৰু ৰোজগাৰ যোজনা আৰু সংহত ক্ষুদ্ৰ আৰু মজলীয়া চহৰৰ উন্নয়ন আঁচনিৰো ৰূপায়ন অব্যাহত আছে ।

খোৱা পানীৰ যোগান

১৭ ১৯৯১-৯২ চনৰ পৰা বৰ্ত্তমানলৈকে পানীৰ বাবে অসুবিধা পোৱা ৮৩ খন গাওঁ আৰু পানীৰ উৎস বিহীন অঞ্চলৰ ২০৭২ জন গ্ৰাম্য বাসিন্দালৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা বিশুদ্ধ খোৱা পানীৰ যোগান ধৰা হৈছে । এই সময় চোৱাৰ ভিতৰত অতিৰিক্ত ৩২২ খন গ্ৰাম্য নলী পানী যোগান আঁচনি আৰু ৮ খন নগৰীয়া নলী-পানী যোগান আঁচনিৰ উদ্বোধন কৰা হৈছে । এই সময়চোৱাতে লংকা আৰু লামডিং চহৰত থকা নগৰীয়া পানী যোগান আঁচনি দুখনৰ নবীকৰণ কৰা হৈছে। ৰাষ্ট্ৰীয় নীতিৰ আধাৰত বিশুদ্ধ খোৱা পানীৰ উৎসবিহীন অঞ্চলৰ বাসিন্দা সকলৰ বাবে খোৱা পানী যোগান ব্যৱস্থাৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব দিয়া হৈছে।

সমাজ কল্যাণ

১৮ অক্ষম লোকৰ কল্যাণ, বৃদ্ধ পেন্সন, বিধৱা পেন্সন, যুৱ কল্যাণ, তিৰোতা আৰু শিশু কল্যাণ আৰু পুষ্টিসাধন আঁচনি বছৰটোৰ ভিতৰতে সফলতাৰে ৰূপায়ণ কৰি থকা হৈছে। ভাৰত চৰকাৰৰ পৰা অতিৰিক্ত আৱন্টন পোৱাৰ বাবে আই,চি, ডি এচ (I.C.D.S) আঁচনিৰ অধীনৰ কাম কাজ সমূহ বৃদ্ধিকৰা হৈছে আৰু ২১৮ টা খণ্ড উন্নয়নৰ ভিতৰত ২১০ টা খণ্ড উন্নয়ন এনে আঁচনিৰ ভিতৰত সামৰি লোৱা হৈছে। বাকী থকা ৮ টা খণ্ড উন্নয়নৰ অনুমোদনৰ প্ৰক্ৰিয়াও আগবাঢ়ি আছে। মহিলা সমৃদ্ধি যোজনা আঁচনি ৰূপায়নৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ কাম কাজ যথেষ্ট প্ৰশংসনীয় আৰু সমগ্ৰ দেশৰ ভিতৰতে অসমে এই ক্ষেত্ৰত প্ৰথম স্থান অধিকাৰ কৰিছে । অলপতে প্ৰৱৰ্ত্তন কৰা কেন্দ্ৰীয় খণ্ডৰ আঁচনিৰ অধীনৰ - ৰাষ্ট্ৰীয় সামাজিক সাহাৰ্য্য আঁচনি - যেনে- বৃদ্ধ পেন্সন আঁচনি, ৰাষ্ট্ৰীয় পৰিয়াল উপকাৰীতা আঁচনি, প্ৰসূতি কল্যাণ আঁচনি ইত্যাদি সফল ভাৱে ৰূপায়ণ কৰি থকা হৈছে ।

পিছপৰা শ্রেণীৰ উন্নয়ন

১৯ বিভিন্ন আৰ্থ সামাজিক উন্নয়ন আঁচনিৰ ৰূপায়ণৰ লগতে জনজাতি উপ পৰিকল্পনাৰ অধীনৰ অনুসূচীত জনজাতি (ভৈয়াম) ৰ কল্যাণ আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ অধীনত অনুসূচীত জাতিৰ কল্যাণ আঁচনি দুখন সুকলমে ৰূপায়ণ হৈ আছে। স্বাস্থ্য, শিক্ষা, খোৱা পানী যোগান, ৰাস্তা ঘাট, কৃষি, মীন আৰু অন্যান্য অৰ্থনৈতিক উন্নয়ন আঁচনি আৰু বিশেষতঃ স্ব-নিয়োজন আঁচনি সমূহৰ ওপৰত অগ্ৰাধিকাৰ দিয়া হৈছে। চাহ জনজাতি আৰু প্ৰাক্তন চাহ জনজাতিকে ধৰি অন্যান্য পিছপৰা শ্রেণীৰ কল্যাণ মূলক আঁচনি সমূহো ৰূপায়ণ কৰি থকা হৈছে। শিক্ষাৰ ক্ষেত্ৰত বৃত্তি আৰু জলপানী আদিৰ জৰিয়তে আৰু স্ব-নিয়োজন আঁচনিৰ ৰূপায়ণৰ বাবে বিশেষ মনোযোগ দিয়া হৈছে।

পাৰ্বত্য অঞ্চল

২০ ৰাজ্যখনৰ পাৰ্ব্বত্য অঞ্চলৰ খৰতকীয়া উন্নয়নৰ বাবে আৰু এই অঞ্চল সমূহৰ অনুসূচীত জনজাতি (পাৰ্ব্বত্য) লোকৰ উন্নয়নৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে দি অহা বিশেষ মনোযোগ অব্যাহত আছে। স্বাস্থ্য সেৱা, খোৱা পানী, শিক্ষা আৰু সাধাৰণ খণ্ডত ৰাস্তা-ঘাট উন্নয়নৰ ওপৰত বিশেষ ভাৱে মনোযোগ দিয়া হৈছে। কৃষি, জলসিঞ্চন, ৰেচম আৰু বয়ন, কুকুৰা-- গাহৰি পোহা, বনানীকৰণ আদিৰ ওপৰত নিৰ্ভৰশীল বিভিন্ন আঁচনি গুৰুত্ব সহকাৰে ৰূপায়ণ কৰা হৈ আছে। ঝুম খেতি কৰা পৰিয়াল বিলাকক ঝুম খেতিৰ ওপৰত নিৰ্ভৰ কৰাৰ পৰিবৰ্ত্তে স্থায়ী পদ্ধতিৰ খেতিত মনোনিবেশ কৰাৰ আঁচনি খন ৰূপায়ণ কৰি থকা হৈছে।

বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ
ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ
মিচিং স্বায়ত্ব শাসিত পৰিষদ
লালুং (টিৱা) স্বায়ত্ব শাসিত পৰিষদ

২০.১ বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদলৈ, উন্নয়ন মূলক আঁচনি সমূহ ৰূপায়িত কৰিবলৈ ৰাজ্যিক পৰিকল্পনা শিতানত বিভিন্ন উন্নয়নমূলক খণ্ডৰ অধীনত সংশ্লিষ্ট উন্নয়ন বিভাগ সমূহে পুঁজি মুকলি কৰি দিছে। পৰিষদৰ সচিবালয় স্থাপনৰ বাবেও পুঁজি মুকলি কৰি দিয়া হৈছে।

২০.২ নতুনকৈ গঠিত হোৱা ৰাভা স্বায়ত্ব শাসিত পৰিষদ, মিচিং স্বায়ত্ব শাসিত পৰিষদ আৰু লালুং (টিৱা) স্বায়ত্ব শাসিত পৰিষদলৈ ৰাজ্য চৰকাৰে পৰিষদ কেইখনৰ স্থায়ী ৰূপ দিয়াৰ বাবেও কিছু পুঁজি মুকলি কৰি দিছে।

২০.৩ ১৯৯৬-৯৭ চনৰ বাজেটত এই আটাইকেইখন স্বায়ত্ব শাসিত পৰিষদৰ বাবে পুঁজিৰ ব্যৱস্থা ৰখা হৈছে।

বাৰ্ষিক পৰিকল্পনা

২১.১ অসমৰ অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাত সৰ্ব্বমুঠ ৪৬৭২ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰে ৩৭৪৮ কোটি টকা কেন্দ্ৰীয় সাহায্য আৰু পৰিকল্পনাৰ ৰাজহ ঘাটিৰ মঞ্জুৰীৰ বাবে নৰম বিত্তীয় আয়োগে অনুমোদন কৰা ২২১ কোটি টকা । বাকী থকা ৭০৩ কোটি টকা ৰাজ্যৰ নিজস্ব সম্পদ

ৰাজিৰ পৰা আহৰণ কৰা বৰঙণি তথা মুকলি বজাৰ ঋণ আৰু বিত্তীয় প্ৰতিষ্ঠানৰ পৰা আহৰণ কৰা পুঁজি । অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাৰ মূল লক্ষ্য হ'ল অসমৰ জনমুৰি ঘৰুৱা উৎপাদন আৰু সৰ্ব্বভাৰতীয় জনমুৰি উৎপাদনৰ মাজৰ সুৰুঙা হ্ৰাস কৰণ, স্ব-নিয়োজনৰ জৰিয়তে দৰিদ্ৰতা দূৰীকৰণ, বুনিয়াদী সা-সুবিধা প্ৰদান আৰু খাদ্যৰ ওপৰত স্ব-নিৰ্ভৰশীলতা ইত্যাদি । অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাৰ ম্যাদ ১৯৯২-৯৩ চনৰ বিত্তীয় বছৰৰ পৰা ১৯৯৬-৯৭ চনৰ বিত্তীয় বৰ্ষ লৈকে ।

২১.২ অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাৰ বাবে অনুমোদিত সৰ্ব্বমুঠ ৪৬৭২ কোটি টকাৰ ভিতৰত পৰিকল্পনা আয়োগে প্ৰথম চাৰি বছৰত অৰ্থাৎ ১৯৯২-৯৩ চনৰ পৰা ১৯৯৫-৯৬ চনলৈকে মুঠ ৪৪৫৬ কোটি টকাৰ আৱন্টন দিয়ে । ইয়াৰ ভিতৰত স্বাভাৱিক কেন্দ্ৰীয় সাহায্য ৩৪০৪ কোটি টকা আৰু পৰিকল্পনাৰ ৰাজহৰ ঘাটি পূৰণ মঞ্জুৰীৰ ২২১ কোটি টকা সৰ্ব্বমুঠ ৩৬২৫ কোটি টকা । অষ্টম পৰিকল্পনা আয়োগে আৱন্টন দিয়া পৰিকল্পনা পুঁজিৰ ভিতৰত অসম চৰকাৰে প্ৰথম চাৰি বছৰত খৰছ কৰে ৩৭৪৯ কোটি টকা । এই চাৰি বছৰৰ খৰছৰ গতিবিধিৰ পৰা এইটো নিৰীক্ষণ কৰিব পৰা যায় যে ১৯৯৬-৯৭ চনৰ শেষৰ ফালে পৰিকল্পনাৰ আৱন্টিত সমুদায় পুঁজি ব্যয় হোৱাৰ উপৰিও আৰু অধিক ব্যয়ৰ সম্ভাৱনা আছে ।

২১.৩ ১৯৯৫-৯৬ চনৰ বাৰ্ষিক পৰিকল্পনাৰ মূল আৱন্টিত পুঁজিৰ পৰিমাণ আছিল ১৪১৮ কোটি টকা । শেষত এই পুঁজি পৰিকল্পনা আয়োগে অতিৰিক্ত কেন্দ্ৰীয় সাহায্য হিচাপে অনুমোদন দিয়া ৩.৫৭ কোটি টকাৰে ১৪২১.৫৭ কোটি টকালৈ বৃদ্ধি কৰে । সাধাৰণ অঞ্চলৰ পৰিকল্পনাৰ পৰা জনজাতি উপ পৰিকল্পনালৈ দিয়া পুঁজিৰ পৰিমাণ হ'ল ১৪৭.০০ কোটি টকা আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনালৈ দিয়া হৈছে ৯৮.২০ কোটি টকা । একেদৰে পাৰ্ব্বত্য উপ পৰিকল্পনাত দিয়া হৈছে ৯১.৬০ কোটি টকা । বিশেষ পাৰ্ব্বত্য উপ পৰিকল্পনাৰ ৪৬.৩২ কোটি টকা, জনজাতি উপ পৰিকল্পনাৰ ১৪.৮৮ কোটি টকা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ ৩.৬৫ কোটি টকাৰে ৰাজ্যিক পৰিকল্পনাৰ পুঁজিত পৰিপূৰক সংযোজন ঘটোৱা হয় ।

২১.৪ পৰিকল্পনা আয়োগে ১৯৯৫-৯৬ চনৰ বাৰ্ষিক পৰিকল্পনাত স্বাভাৱিক পৰিকল্পনা শিতানৰ বাবে ধাৰ্য্য কৰা পুঁজিৰ পৰিমান আছিল ১৩৩৮ কোটি টকা আৰু বহিঃ সাহায্য পুষ্ট প্ৰকল্পৰ বাবে ধাৰ্য্য কৰা পৰিমাণ আছিল ৮০ কোটি টকা, সৰ্ব্বমুঠ ১৪১৮ কোটি টকা । ৰঙ্গৰাজন কমিটিৰ অনুমোদন মৰ্ম্মে বিশেষ বিধি ব্যৱস্থা অনুযায়ী ৰাজ্যিক স্বাভাৱিক পৰিকল্পনাৰ আৱন্টন ২০ শতাংশ নিম্নগামী হৈ সংশোধন ঘটিব পাৰে । এই নিয়ম বিধি ব্যৱস্থা অনুযায়ী

১৯৯৫-৯৬ চনৰ স্বাভাৱিক পৰিকল্পনা আৱন্টন ১৩৩৮ কোটিৰ পৰা ১১৪৯ কোটি টকালৈ কেন্দ্ৰীয় সাহায্যৰ কোনো ধৰণৰ হানি বিঘিনি নোহোৱাকৈ সংশোধন ঘটাব পাৰি । যিকিনহওক, ৰাজ্য চৰকাৰৰ সমগ্ৰ ৰাজহ ব্যৱস্থা মূল্যাংকন কৰাৰ পিছত ১৯৯৫-৯৬ চনৰ স্বাভাৱিক পৰিকল্পনাৰ আৱন্টন ১১৭৩.০৬ কোটি টকালৈ সংশোধন কৰাৰ প্ৰস্তাৱ কৰা হয় । ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা সেউজ সংকেত পোৱাৰ পিছত বহিঃ সাহায্যপুষ্ট প্ৰকল্পৰ বাবে ধাৰ্য্য কৰা পুঁজিৰ সংশোধনী ঘটাই ২৭.৯৪ কোটি টকা কৰা হয় । ৰাজ্য চৰকাৰে ১৯৯৫-৯৬ চনৰ ৰাজ্যিক পৰিকল্পনাৰ সংশোধিত আৱন্টন ১২০১ কোটি টকাৰ বাবে পৰিকল্পনা আয়োগৰ ওচৰত প্ৰস্তাৱ আগবঢ়ায় । সংশোধিত পৰিকল্পনা আৱন্টনৰ একে ভিত্তিতে জনজাতি উপ পৰিকল্পনা (TSP), অনুসূচীত জাতি সংযোগী পৰিকল্পনা (SCCP), আৰু স্বায়ত্ব শাষিত পৰিষদ সমূহৰ বাবে পৰিকল্পনা আবন্টনৰ প্ৰস্তাৱ আগবঢ়োৱা হয় ।

**অসম বিত্ত আয়োগ, ১৯৯৫**

২২ সংবিধানৰ সংশোধনী অনুসৰি ৰাজ্যিক বিত্তীয় আয়োগ যেনে অসম বিত্তীয় আয়োগ যি উদ্দেশ্যত গঠিত হৈছিল তাৰ প্ৰতিবেদন ২৯-২-৯৬ তাৰিখে প্ৰথম বাৰৰ বাবে দাখিল কৰে । আয়োগে বিস্তাৰিত ভাৱে জনোৱা আটাইবোৰ অনুমোদনেই ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে । আয়োগৰ প্ৰতিবেদন তথা ব্যাখ্যা মূলক বৃতান্ত সমন্বিতে আয়োগৰ অনুমোদনৰ ওপৰত লোৱা কাৰ্য্যকৰী ব্যৱস্থাৰ প্ৰতিবেদন ইতিমধ্যে সদনত দাখিল কৰা হৈছে । গাওঁ পঞ্চায়তলৈ যান-বাহনৰ কৰৰ অংশ হস্তান্তৰিত কৰণৰ বাবে প্ৰদান কৰা অনুমোদনৰ উপৰিও গ্ৰাম্য আৰু চহৰীয়া নিকায় সমূহলৈ অন্যান্য সম্পদ ৰাজিৰ অংশ হস্তান্তৰিতকৰণৰ লেখিয়া অন্যান্য অনুমোদনৰ ক্ষেত্ৰত ১৯৯৬-৯৭ চনৰ বাজেটত পুঁজি ধাৰ্য্য কৰা হৈছে । ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰটোত গাওঁ পঞ্চায়তলৈ যান-বাহন কৰৰ অংশ হস্তান্তৰিতকৰণৰ সম্পৰ্কত আয়োগে জনোৱা অনুমোদন কাৰ্য্যকৰী কৰি তুলিবলৈ বাজেটত পুঁজি ব্যৱস্থা কৰিব লাগিব ।

**অসম দৰমহা আয়োগ, ১৯৯৪**

২৩ অসম দৰমহা আয়োগ ১৯৯৪ ৰ প্ৰতিবেদনৰ প্ৰথম খণ্ড ৰাজ্য চৰকাৰে বিবেচনা সহকাৰে গ্ৰহণ কৰিছে । এই খণ্ডত আয়োগে ১-১-৯৬ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকললৈ সংশোধীত হাৰত দৰমহা দিয়াৰ অনুমোদন জনাইছে । সংশোধিত হাৰত দৰমহা দিয়াৰ বাবে দৰমহা শিতানত হোৱা অতিৰিক্ত ব্যয়ৰ বাবদ ১৯৯৬-৯৭ বিত্তীয় বছৰত বাজেটত অতিৰিক্ত পুঁজিৰ ব্যৱস্থা কৰিব লাগিব ।

**ৰাজ্যিক লটাৰী**

২৪ অসমত লটাৰীৰ বিৰুদ্ধে ৰাইজৰ মাজত প্ৰায়েই অসন্তোস সৃষ্টি হৈ থাকে । ১৯৯৫ চনৰ মাৰ্চ মাহৰ অসম বিধান সভাৰ অধিৱেশনত সদনৰ কেইবাজনো সন্মানীত সদস্যই অসম ৰাজ্যিক লটাৰী বন্ধ কৰাৰ ক্ষেত্ৰত

পদক্ষেপ ল'বলৈ ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনায়। তেওঁলোকে ৰাজ্যিক লটাৰীৰ লগতে কতৃৃত্ব প্ৰাপ্ত লটাৰী সমূহৰ বিক্ৰী ৰোধ কৰবলৈকো চৰকাৰৰ ওচৰত দাবী জনায়। ৰাজ্যিক লটাৰীৰ জৰিয়তে ৰাজ্য চৰকাৰৰ হোৱা আয় নুন্যতম। ৰাজ্য চৰকাৰে এই বিষয়ত উপযুক্ত পদক্ষেপ ল'ব লাগে, এয়েই সদনৰ সাধাৰণ মনোভাৱ। ৰাজ্য খনৰ জন সাধাৰণৰ ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সিদ্ধান্ত লৈছে যে ৰাজ্যিক লটাৰী বন্ধ কৰিব লাগে আৰু ইয়াৰ নিবাৰণৰ বাবে আইনৰ জড়িয়তে তৎকালীন ব্যৱস্থা ল'ব লাগে। ভাৰত চৰকাৰৰ পৰা আগতীয়া অনুমোদন লৈ ভাৰতীয় দণ্ডবিধি আইনৰ ২৯৪-ক অনুচ্ছেদৰ অসমৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা আইনৰ সংশোধন ঘটাই অন্যান্য ৰাজ্যিক চৰকাৰ/ কেন্দ্ৰীয় শাসিত অঞ্চল প্ৰশাসনৰ দ্বাৰা পৰিচালিত লটাৰী টিকটৰ বিক্ৰী অসমত বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। অসম ৰাজ্যিক লটাৰী আইন উঠাই লোৱাৰ পৰাই অসম ৰাজ্যিক লটাৰীৰ প্ৰচলন বন্ধ হৈছে। ভাৰতীয় দণ্ডবিধি আইনৰ ২৯৪-ক অনুচ্ছেদৰ অসমৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা আইনৰ সংশোধনৰ বাবে ভাৰত চৰকাৰে অনুমতি প্ৰদানৰ ক্ষেত্ৰত ব্যৱস্থাৱলী হাতত লৈছে।

**দশম বিত্তীয় আয়োগ**

২৫.১ মাননীয় সদস্য সকলৰ বোধকৰো মনত আছে যে যেতিয়া ১৯৯৫-৯৬ চনৰ বাজেট সদনত দাঙি ধৰা হৈছিল তেতিয়া দশম বিত্তীয় আয়োগৰ অনুমোদন তথা ৰাজ্য চৰকাৰে সেই সম্পৰ্কত লব লগীয়া যাৱতীয় ব্যৱস্থাৰ কথা উল্লেখ কৰা হৈছিল। দশম বিত্তীয় আয়োগৰ অনুমোদন সমূহৰ কাৰ্য্যকাল ১৯৯৫ চনৰ পহিলা এপ্ৰিলৰ পৰা পাচ বছৰ কাল বলবৎ থাকিব। আয়োগৰ অনুমোদন সমূহ ১৯৯৫-৯৬ চনৰ ব্যয়ৰ আনুমানিক প্ৰাক্‌কলনত (Budget estimates) অন্তৰ্ভূক্ত কৰা হৈছে। দশম বিত্তীয় আয়োগৰ অনুমোদন এক কথাত কবলৈ গলে অসমৰ বাবে বৰ সন্তোষজনক নহয়। দশম বিত্তীয় আয়োগে পাঁচ বছৰ কালৰ বাবে আগবঢ়োৱা পৰামৰ্শ অনুযায়ী কেন্দ্ৰৰ পৰা ৰাজ্যলৈ হস্তান্তৰিত হোৱা মুঠ পূঁজিৰ পৰিমাণ হব ৮৩২৮.০৫ কোটি টকা। কেন্দ্ৰৰ পৰা ৰাজ্যলৈ হস্তান্তৰিত এনে পূঁজিৰ পৰিমাণ ৩.৬৭ শতাংশ। নৱম বিত্তীয় আয়োগৰ চুপাৰিশক্ৰমে অসমলৈ ৰাষ্ট্ৰীয় পূঁজিৰ পৰা ৩.৭৩ শতাংশ ধন পোৱা হৈছিল। মুঠ হস্তান্তৰিত পূঁজিৰ হিচাপটো হ'ল এনেধৰণৰ ঃ- কেন্দ্ৰীয় কৰ আৰু শুল্ক- ৭০৬৪.১৪ কোটি টকা, পৰিকল্পনা বৰ্হিভূত শিতানৰ ৰাজহ ঘাটি-মন্জুৰী ৭১২.০৩ কোটি টকা, মান উন্নয়ন (upgradation) মন্জুৰী- ১৪৬.৮৬ কোটি টকা, বিশেষ সমস্যা সমাধান মন্জুৰী - ৬০ কোটি টকা, স্থানীয় নিকায় সমূহলৈ দিয়া মন্জুৰী- ১৪৭.৫৬ কোটি টকা, প্ৰাকৃতিক দুৰ্যোগৰ সাহায্যৰ বাবে কেন্দ্ৰীয় অংশৰ ১৯৭.৪৬ কোটি টকা, সৰ্ব্বমঠ- ৮৩২৮.০৫ কোটি টকা।

২৫.২ দশম বিত্তীয় আয়োগৰ গুৰুত্বপূৰ্ণ অনুমোদন হ'ল প্ৰশাসনৰ মান উন্নয়ন আৰু বিশেষ সমস্যা সমাধানৰ বাবে মঞ্জুৰী প্ৰদান আঁচনি যিটো নেকি নৱম বিত্তীয় আয়োগে প্ৰশাসনৰ মান উন্নয়নৰ ক্ষেত্ৰত আৰক্ষী, অগ্নি নিৰ্ব্বাপন, কাৰাগাৰ, জিলা সমূহৰ মহাপেচখানা, কোষাগাৰ আৰু হিচাপ প্ৰশাসনত কমপিউটাৰ ব্যৱস্থা, আৰু শিক্ষা ইত্যাদি বিভাগ সমূহ নিৰ্ব্বাচন কৰি লৈছে। এই খণ্ড সমূহৰ উন্নয়নৰ বাবে ১৯৯৬-৯৭ চনৰ পৰা চাৰিবছৰৰ বাবে সৰ্ব্বমুঠ ১৪৬.৮৬ কোটি টকা আৱন্টন দিয়ে। বিশেষ সমস্যা সমাধানৰ ক্ষেত্ৰত ১৯৯৬-৯৭ চনৰ পৰা চাৰিবছৰ বাবে ৬০ কোটি টকা আৱন্টন দিয়ে আৰু বিশেষ ভাবে এই টকা সচিবালয় নিৰ্ম্মানৰ বাবে ৰখা হয়। সংবিধানৰ ৭৩ আৰু ৭৪ নং সংশোধনী অনুসৰি ১৯৯৬-৯৭ চনৰ পৰা চাৰিবছৰৰ বাবে মঞ্জুৰী প্ৰদান কৰা ১৪৭.৫৬ কোটি টকাৰ ভিতৰত ১৩৩.৩৬ কোটি টকা পঞ্চায়ত আৰু ১৪.২০ কোটি টকা নগৰীয়া নিকায় সমূহৰ বাবে আছুতীয়াকৈ ৰখা হয়। প্ৰশাসনৰ মান উন্নয়ন, বিশেষ সমস্যা সমাধান মঞ্জুৰী আৰু স্থানীয় নিকায় সমূহলৈ মঞ্জুৰী ইত্যাদিৰ ক্ষেত্ৰত ১৯৯৬-৯৭ চনৰ ভিতৰত ৭৮.২৬ কোটি টকা ধৰা হয় আৰু ১৯৯৬-৯৭ চনৰ বাজেটত পৰিকল্পনাত এই পূঁজি অন্তৰ্ভুক্ত কৰা হয়।

২৫.৩ প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত থকা কেন্দ্ৰীয় বৰঙনিৰ অংশ ১৯৯৫-৯৬ পৰা ১৯৯৯- ২০০০ চনলৈকে এই পাঁচ বছৰত দশম বিত্তীয় আয়োগে ১৯৭.৪৬ কোটি টকা ধাৰ্য্য কৰে। নৱম বিত্তীয় আয়োগে ১৯৯০-৯৫ চনৰ ভিতৰত এই ক্ষেত্ৰত ১১২.৫০ কোটি টকাহে ধাৰ্য্য কৰিছিল। এইখিনিৰ উপৰিও বিৰল দৃষ্টান্তৰ প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত মোকাবিলা কৰিব পৰাকৈ ৰাষ্ট্ৰীয় ন্যাস গঠনৰো পৰামৰ্শ আগবঢ়াইছে। ১৯৯৫-২০০০ চনৰ ভিতৰত গঠন কৰিব লগা এই ন্যাসৰ নিধিৰ পৰিমান হব ৭০০ কোটি টকা। এই ন্যাসত ৭৫ শতাংশ কেন্দ্ৰীয় বৰঙনি আৰু ৰাজ্যিক বৰঙনি ২৫ শতাংশ থাকিব। ১৯৯৫-২০০০ চনলৈ এই ৰাষ্ট্ৰীয় ন্যাসলৈ আগবঢ়োৱা অসমৰ বৰঙনিৰ পৰিমান হব ৩.৫৬ কোটি টকা ১৯৯৫-৯৬ চনত এই ন্যাসৰ প্ৰাৰম্ভিক নিধিৰ পৰিমান হব ৩০০ কোটি টকা আৰু ইয়াত অসমৰ বৰঙনিৰ পৰিমান হব ১.৫২ কোটি টকা।

২৫.৪ ৰাজ্যখনত ধাৰৰ বোজা পাতল কৰাৰ ক্ষেত্ৰত দশম বিত্তীয় আয়োগে আগবঢ়োৱা পৰামৰ্শৱলী যথেষ্ট নগন্য। আয়োগে পাঁচবছৰৰ বাবে ৰাজ্য খনৰ ১৪.৫৬ কোটি টকা ধাৰৰ বোজা পাতল কৰাৰহে পৰামৰ্শ আগবঢ়ায়। নৱম বিত্তীয় আয়োগে এই ক্ষেত্ৰত ৪৬.৪৯ কোটি টকা আৰু অষ্টম বিত্তীয় আয়োগে ২০৫.৫০ কোটি টকাৰ ধাৰৰ বোজা পাতলোৱাৰ পৰামৰ্শ আগবঢ়াইছিল।

**বাৰ্ষিক পৰিকল্পনা ১৯৯৬-৯৭**

২৬.১ লোক সভা আৰু ৰাজ্য বিধান সভা সমূহৰ সাধাৰণ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ বাবে পৰিকল্পনা আয়োগৰ উপাধ্যক্ষই জনাইছে যে, ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনা সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পিচত নতুন চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰিলেহে চুড়ান্ত ৰূপ দিয়া হব। উপাধক্ষ্যই লগতে ৰাজ্য চৰকাৰক অনুৰোধ জনাইছে যে ১৯৯৬-৯৭ চনৰ বছৰটোৰ বাজেট ব্যৱস্থাৰ বাবে চলিত বিত্তীয় বৰ্ষত ধাৰ্য্য কৰা পুঁজিৰ ভিত্তিতে সাময়িক ভাৱে ৰাজ্যিক পৰিকল্পনাৰ পুঁজি নিৰ্দ্ধাৰণ কৰিব লাগে। সেই অনুক্ৰমে, বৰ্ত্তমান সদনত উত্থাপন কৰিব বিচৰা ১৯৯৬-৯৭ চনৰ বাৰ্ষিক বিত্তীয় প্ৰবিবৰণত ১৪২১ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই পুঁজিৰ ভিতৰতে বহিঃ সাহায্য পুষ্ট প্ৰকল্প (externally aided projects) ৰ বাবে থকা ৮০ কোটি টকাকো সামৰি লোৱা হৈছে।

২৬.২ বাৰ্ষিক ৰাজ্যিক পৰিকল্পনাত পাৰ্ব্বত্য অঞ্চলৰ বাবে ৯১.৬০ কোটি টকা, জনজাতি সংযোগী পৰিকল্পনাৰ বাবে ১৩৮.৬০ কোটি টকা আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ বাবে ৯১.৯৫ কোটি টকা সামৰি লোৱা হৈছে। ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাত বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ, ৰাভা হাচং, মিচিং আৰু লালুং (টিৱা) স্বায়ত্ব শাসিত পৰিষদক আঁচনি ৰূপায়ন কৰিবলৈ দৰমহাৰ বাহিৰে (Non salary) পুঁজি যথাক্ৰমে ৪০.৫৫ কোটি টকা, ৭ কোটি টকা, ১৩ কোটি টকা আৰু ৩.৪০ কোটি টকা ধাৰ্য্য কৰা হয়।

২৬.৩ পাৰ্ব্বত্য অঞ্চল উপ পৰিকল্পনা, জনজাতি উপ পৰিকল্পনা, অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ বাবে বিশেষ কেন্দ্ৰীয় সাহাৰ্য্য আঁচনি (SCA) ৰ অধীনত চলিত বছৰত ধাৰ্য্য কৰা পুঁজিৰ সমান যথাক্ৰমে ৪৬.৩২ কোটি টকা, ১৪.৮৮ কোটি টকা আৰু ৩.৬৫ কোটি টকা ধাৰ্য্য কৰা হয়।

২৬.৪ আগতে উল্লেখ কৰাৰ দৰে দশম বিত্তীয় আয়োগে প্ৰশাসনৰ মান উন্নয়ন, বিশেষ সমস্যা সমাধান আৰু স্থানীয় নিকায় সমূহৰ বাবে ধাৰ্য্য কৰা সৰ্ব্বমুঠ- ৭৮.২৬ কোটি টকা ১৯৯৬-৯৭ চনত ৰাজ্যিক পৰিকল্পনাৰ অধীনত ১৯৯৬-৯৭ চনৰ বাৰ্ষিক বাজেটত অন্তৰ্ভুক্ত কৰা হৈছে।

**বাহ্যিক সাহায্য প্ৰকল্প**

২৭.১ ৮ বছৰীয়া ৰূপায়ন কাল তথা ৪৮০ কোটি টকা মুঠ বিত্তীয় ব্যয়ৰ বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত গ্ৰাম্য বুনিয়াদী আৰু কৃষি সেৱা প্ৰকল্পৰ ৰূপায়ণৰ কাম ১৯৯৫-৯৬ চনৰ বিত্তীয় বৰ্ষত আৰম্ভ হয়। এই প্ৰকল্পৰ বাবে ১৯৯৬-৯৭ চনৰ বাজেট প্ৰাক্কলনত ৭৩ কোটি টকা পুঁজিৰ ব্যৱস্থা কৰা হয়। খণ্ডীয় আৱন্টন এনেধৰণৰ ঃ- কৃষি- ১৮ কোটি টকা, পশুপালন- ১১ কোটি টকা মীন পালন- [illegible]

জলসিঞ্চন- ৬ কোটি টকা আৰু গ্ৰাম্য পথ ২২ কোটি টকা মুঠ- ৭৩ কোটি টকা। বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত কাৰিকৰী শিক্ষাৰ আঁচনিখনৰ ৰূপায়ণৰ কাম চলিত বিত্তীয় বছৰত অব্যাহত থাকে আৰু ইয়াৰ বাবে ১৯৯৬-৯৭ বাজেট প্ৰাক্কলনত ৭ কোটি টকা পুঁজিৰ প্ৰস্তাৱ দিয়া হয়।

২৭.২ স্বাস্থ্য আৰু পৰিয়াল খণ্ডত বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত অসম অঞ্চল প্ৰকল্প আই, পি, পি IX ৰ ৰূপায়ণৰ কাম চলিত বিত্তীয় বছৰত অব্যাহত থাকে। ভাৰত চৰকাৰৰ পৰা পোনপটিয়াকৈ সহায় পোৱা ৰাজ্য চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত এখন স্ব-শাসিত পঞ্জীয়নভুক্ত সমাজৰ জৰিয়তে এই প্ৰকল্পৰ ৰূপায়িত হৈছে। এই প্ৰকল্পৰ বাবে কেৱল ৰাজ্য চৰকাৰৰ অংশ হিচাপে ১.৫০ কোটি টকাৰ প্ৰস্তাৱ ১৯৯৬-৯৭ চনৰ বাজেট প্ৰক্কলনত লোৱা হয়।

২৭.৩ বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত জিলা প্ৰাথমিক শিক্ষা প্ৰকল্পৰ (D.P.E.P) ৰূপায়ণৰ কাম চলিত বিত্তীয় বছৰত অব্যাহত থাকে। ৰাজ্যিক চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত এখন স্ব শাসিত পঞ্জীয়ন ভূক্ত সমাজৰ জড়িয়তে এই প্ৰকল্প ৰূপায়িত হৈছে আৰু ইয়াৰ বাবে উক্ত সমাজে ভাৰত চৰকাৰৰ পৰা পোন পটিয়াকৈ সাহায্য লাভ কৰিছে। এই প্ৰকল্পৰ বাবে কেৱল ৰাজ্য চৰকাৰৰ অংশ হিচাপে ৩ কোটি টকাৰ প্ৰস্তাৱ ১৯৯৬-৯৭ চনৰ বাজেট প্ৰাক্কলনত লোৱা হয়।

ৰাজ্যিক বিত্ত

২৮.১ ১-৪-৯১ তাৰিখত অসমৰ জনমুৰি ঋণ আছিল ১৮৯৮ টকা। ১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ চনৰ শেষলৈকে এই সময়চোৱাৰ ভিতৰত ৰাজ্য চৰকাৰে পৰিশোধ কৰা ঋণৰ পৰিমাণ ২৪৯৫ কোটি টকা। ১-৪-৯৫ তাৰিখত ৰাজ্য খনৰ জনমুৰি ঋণৰ পৰিমান হৈছে ১৮৬৫ টকা। ১৯৯৫-৯৬ ৰ ভিতৰত ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ক দিবলৈ থকা সম্পূৰ্ণ ঋণ আৰু সুত পৰিশোধ কৰা হয়।

২৮.২ ৰাজ্য চৰকাৰৰ চাকৰিয়াল সকলৰ দৰমহা আৰু পেঞ্চনাৰ সকলৰ পেঞ্চন নিয়মিয়াকৈ দি থকা হৈছে। ৰাজ্য চৰকাৰৰ চাকৰিয়াল সকলক ১-৭-৯৫ তাৰিখে দিবলগীয়া বৰ্দ্ধিত হাৰৰ সংশোধিত মৰগীয়া বানচৰ অনুমোদন জনোৱা হৈছে আৰু দিয়া হৈছে। কেৱল ৩ মাহৰ বৰ্দ্ধিত অংশৰ ধন দিবলৈ বাকী আছে। লগতে ৰাজ্য চৰকাৰৰ পেঞ্চনাৰ সকলে ১-৭-৯৫ তাৰিখে পাব লগীয়া বৰ্দ্ধিত মৰগীয়া সাহায্যৰ অনুমোদন জনোৱাৰ হৈছে আৰু দিয়া হৈছে। ১-১-৯৬ তাৰিখে ৰাজ্য চৰকাৰৰ চাকৰিয়াল সকলে পাবলগীয়া বৰ্দ্ধিত হাৰৰ সংশোধিত মৰগীয়া বানচৰ অনুমোদন জনোৱা হৈছে আৰু ৰাজ্য চৰকাৰৰ

ব্যৱস্থা কৰি থকা হৈছে।

২৮.৩ ১৯৯১-৯২ চনত ৰাজ্য চৰকাৰৰ দ্বাৰা সংগৃহিত মুঠ কৰ ৰাজহৰ পৰিমান হৈছে ৫১২ কোটি টকা আৰু ১৯৯৪-৯৫ চনৰ সময় চোৱাত প্ৰকৃত কৰ ৰাজহ সংগ্ৰহ ৬৩২ কোটি টকালৈ বৃদ্ধি হয়। ১৯৯৫-৯৬ চনৰ চলিত বিত্তীয় বছৰটোত কৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ ৮২৬ কোটি টকা হব বুলি আশা কৰা হৈছে।

২৮.৪ মূল্য বৃদ্ধিৰ গতি অব্যাহত থকা অৱস্থাত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনাৰ সকলক বৰ্দ্ধিত হাৰত দৰমহা, মজুৰি আৰু মৰগীয়া বানচ দিয়াৰ আৱশ্যকতা আহি পৰিছে। ঋণ আদায় দিয়াৰ বোজাও ক্ৰমবৰ্দ্ধমান। এই অঞ্চলৰ সুৰক্ষাৰ কাৰণে আইন শৃংখলা পৰিস্থিতি বজাই ৰখাৰ ক্ষেত্ৰত হোৱা ব্যয় উলাই কৰিব পৰা বিধৰ নহয়।

২৮.৫ মাননীয় সদস্য সকলে নিশ্চয় জানে যে ৰাজ্যখনৰ সম্পদ তেনেই সীমিত। দশম বিত্তীয় আয়োগৰ অনুমোদন অনুসৰি ৰাজ্যখনলৈ হস্তান্তৰিত কৰা সম্পদে ৰাজ্য খনৰ আচল প্ৰয়োজনীয়তা খিনি পূৰণ কৰিব পৰা নাই। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে অৰ্থনীতিৰ দিশত যথা সম্ভৱ পদক্ষেপ লৈছে, পৰিকল্পনা বৰ্হিঃভূত শিতানত ব্যয় নুন্যতম পৰিমাণলৈ কমাই দিয়া হৈছে, অনাৱশ্যকীয় ব্যয় বাতিল কৰা হৈছে আৰু কৰ ৰাজহ তথা কৰবিহীন ৰাজহ বৃদ্ধি কৰা হৈছে। চৰকাৰে বিত্তীয় প্ৰশাসনৰ প্ৰসাৰতাৰ বাবেও যথা সম্ভৱ পদক্ষেপ গ্ৰহণ কৰিছে।

২৮.৬ বিভিন্ন আহুকলিয়া পৰিস্থিতি স্বত্বেও ৰাজ্যখনৰ উন্নয়নমূলক কাম-কাজ সমূহ চলাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে অবিৰত প্ৰচেষ্টা চলাই আছে। ১৯৯১-৯২ চনত পৰিকল্পনা শিতানত সংশোধিত ৭২৫ কোটি টকাৰ আৱন্টনৰ বিপৰীতে প্ৰকৃত খৰচ ৬৯৩ কোটি টকা আছিল। ১৯৯২-৯৩ চনত সংশোধিত আয় ৭০০ কোটি টকাৰ বিপৰীতে বাৰ্ষিক পৰিকল্পনাৰ অধীনত প্ৰকৃত ব্যয়ৰ পৰিমাণ আছিল ৬৪৯ কোটি টকা। ১৯৯৩-৯৪ চনত সংশোধিত আৱন্টন ৮৭২ কোটি টকাৰ বিপৰীতে প্ৰকৃত ব্যয় আছিল ৮৫৬ কোটি টকা। ১৯৯৪-৯৫ চনত এই পৰিমাণ হৈছে সংশোধিত আৱন্টন ৯৯৭ কোটি টকাৰ বিপৰীতে ১০৪৩ কোটি টকা। ১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰত পূৰ্বতে উল্লেখ কৰাৰ দৰেই সংশোধনী আৱন্টন ১২০১ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

২৮.৭ মাননীয় সদস্য সকলক এটা কথা জনাবলৈ পাই মই সুখী হৈছো যে, ৰাজ্যৰ ৰাজহ সম্পদৰ সৰ্ম্পকত ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ সৈতে মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ পৰ্য্যায়ত [illegible] মাধ্যমেৰে যোগাযোগ চলাই

আছে ।

অভ্যান্তৰীণ নিবাপত্তা পূঁজি

২৮ .৮ এখন ৰাজ্যৰ সন্ত্ৰাসবাদী, আতংকবাদী আৰু বিদ্ৰোহাত্মক কাৰ্য্যকলাপৰ লগত মোকাবিলা কৰি দেশৰ অখণ্ডতা ৰক্ষা কৰাৰ বাবে কেন্দ্ৰই ৰাজ্য খনক আৰ্থিক ভাৱে আৰু অন্যান্য উপায়েৰে সহায় সাৰথি কৰাটো আৱশ্যকীয় । দশম বিত্তীয় আয়োগে এই বিষয়টোত স্বীকৃতি প্ৰদান কৰিছে আৰু সাহায্য দিয়াৰ উদ্দেশ্যেই পঞ্জাৱ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক ১৯৯৫-২০০০ চনত পৰিশোধ কৰিব লগা ৪৯০ .৬৩ কোটি টকাৰ ঋণ পৰিশোধ ৰেহাই দিয়ে । ১৯৯৫-২০০০ চনৰ ভিতৰত পঞ্জাৱ চৰকাৰে কেন্দ্ৰক পৰিশোধ কৰিব লগা সৰ্ব্বমুঠ ১৪৭১ .৯০ কোটি টকাৰ এক তৃতীয়াংশৰ সমান এই পূঁজি । এই পূঁজি কেন্দ্ৰই পঞ্জাৱ চৰকাৰক বিশেষ ধৰণৰ ঋণৰ ভিত্তিত ১৯৯০-৯৫ চনত দিছিল আৰু ৩১-৩-৯৪ তাৰিখত এই ঋণৰ পৰিমাণ আছিল ৫৫২২ কোটি টকা । অসমেও সন্ত্ৰাসবাদী, আতংকবাদী আৰু বিদ্ৰোহাত্মক কাৰ্য্যকলাপত ১৯৯০-৯৫ চনৰ পৰা জৰ্জ্জৰিত হৈ আহিছে তথাপি দশম বিত্তীয় আয়োগৰ প্ৰতিবেদন এই ক্ষেত্ৰত সম্পূৰ্ণ নীৰৱ । সন্ত্ৰাসবাদী কাৰ্য্যকলাপত জৰ্জ্জৰিত ৰাজ্যখনে এই সময়ছোৱাৰ ভিতৰত আভ্যন্তৰীন নিৰাপত্তাৰ বাবে প্ৰায় ১১৪৫ কোটি টকা ব্যয় বহন কৰিব লগা হয় । নৱম বিত্তীয় আয়োগে ৰাজ্যখনৰ বাবে ১৯৯০-৯৫ চনত অনুমোদন জনোৱা ৮১৯ কোটি টকাৰ অধিক টকা অৰ্থাৎ প্ৰায় ৩২৬ কোটি অধিক ব্যয় কৰিব লগা হয় । এই অত্যাধিক ব্যয়ৰ বাবে ৰাজ্য খনৰ ৰাজহত যথেষ্ট ঘাটি হয় । এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে ৩২৬ কোটি টকা মঞ্জুৰী প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনায় । ১৯৯৬ চনৰ যোৱা ফেব্ৰুৱাৰী মাহৰ ২২ আৰু ২৩ তাৰিখে অসম ভ্ৰমণলৈ অহা মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ক মুখ্য মন্ত্ৰী মহোদয়ে বিষয়টো অৱগত কৰায় । বিশেষ বিধি ব্যৱস্থাৰ জৰিয়তে এই ৩২৬ কোটি টকা মঞ্জুৰী অথবা দীৰ্ঘম্যাদী ঋণ হিচাপে ১৯৯৫-৯৬ চনৰ বিত্তীয় বৰ্ষতে ৰাজ্য খনক দিবৰ বাবে বিত্ত মন্ত্ৰনালয়ক যাৱতীয় নিৰ্দ্দেশ দিবলৈ মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী মহোদয়ক অনুৰোধ জনায় ।

২৮ .৯ প্ৰচলিত ব্যৱস্থা অনুসাৰে দুৰ্গত সাহায্য ন্যাস গঠনৰ নিচিনাকৈ একেটা ভিত্তিতে সন্ত্ৰাসবাদী কাৰ্য্যকলাপ নিয়ন্ত্ৰণ কৰিবলৈ ৭৫ ঃ ২৫ অনুপাতে কেন্দ্ৰীয় আৰু ৰাজ্যিক বৰঙনিৰ ভিত্তিত "ৰাষ্ট্ৰীয় সুৰক্ষা ন্যাস" গঠন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পৰামৰ্শ আগবঢ়াইছে ।

ৰাজ্যৰ অনুকুলে ক্ষতিপূৰণ মুকলি ঋণ

২৮ .১০ ভাৰত চৰকাৰে ১-৪-৯৫ তাৰিখৰ পৰা বলবৎ হোৱাকৈ ৰাজ্য খনৰ ভিতৰত থকা বিত্তীয় প্ৰতিষ্ঠান সমূহক ক্ষুদ্ৰ সঞ্চয়ত পূঁজি বিনিয়োগ কৰাটো বন্ধ কৰি দিছে । ক্ষুদ্ৰ সঞ্চয়ত পূঁজি বিনিয়োগ বন্ধ কৰাৰ [illegible] ৰাজ্য চৰকাৰে ক্ষতিপূৰণ হিচাপে মুকলি ঋণ প্ৰদানৰ ক্ষমতা

দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছে ।

খাৰুৱা তেলৰ ৰয়েলিটিৰ সাময়িক বৃদ্ধিকৰণ

২৮.১১ খাৰুৱা তেলৰ পৰা পোৱা ৰয়েলিটি অসম চৰকাৰৰ এক গুৰুত্বপূৰ্ণ কৰ বিহীন ৰাজহ । খাৰুৱা তেলৰ ৰয়েলিটি শেহতীয়াকৈ যোৱা ১৯৯৩ চনৰ পহিলা এপ্ৰিলত ১৯৯৩-৯৬ বছৰৰ বাবে সংশোধন কৰা হয় । এই ৰয়েলিটি খাৰুৱা তেলৰ উৎপাদন ব্যয়ৰ ২০ শতাংশ পৰিমাণত ধাৰ্য্য কৰা হয় । যিকি-নহওক, এই তিনি বছৰত খাৰুৱা তেলৰ উৎপাদনৰ প্ৰকৃত ব্যয়ৰ তথ্যপাতি হাতে ঢুকি পোৱাত নথকা হেতুকে ১৯৯২-৯৩ চনৰ উৎপাদিত ব্যয়ৰ ভিত্তিতে ভাৰত চৰকাৰে সাময়িক ভাবে ৰয়েলিটি ধাৰ্য্য কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে । ১৯৯২-৯৩ চনৰ উৎপাদিত ব্যয়ৰ ওপৰত নিৰ্দ্ধাৰণ কৰিয়েই ১-৪-৯৩ তাৰিখৰ পৰা বলবৎ হোৱাকৈ খাৰুৱা তেলৰ ৰয়েলিটি প্ৰতি টনতে ৫২৮ টকাত নিৰ্দ্ধাৰণ কৰা হৈছে । ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনৰ উৎপাদিত ব্যয়ৰ তথ্য পাতি হাতত থকাত অসম চৰকাৰে এই তথ্য পাতিৰ ওপৰত নিৰ্ভৰ কৰি খাৰুৱা তেলৰ ৰয়েলিটি নিৰ্দ্ধাৰণ কৰিব লাগে বুলি দাবী ডাঙি ধৰিছে ।

**ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আঁচনি খনৰ কেন্দ্ৰীয় ঋণ সাহায্যৰ পৰা বিশেষ কেন্দ্ৰীয় সাহায্যৰ অধীনত পুঁজি ব্যৱস্থা কৰাৰ পদ্ধতি ৩১-৩-৯৪ তাৰিখৰ বকেয়া কেন্দ্ৰীয় ঋণ সাহায্য পদ্ধতি অনুযায়ী সলনিকৰণ ঃ-**

২৮.১২ প্ৰতি বছৰে বান পানী আৰু গৰাখহনীয়াৰ ফলত সৃষ্টি হোৱা ধ্বংস কাৰ্য্যই অসমৰ অৰ্থনৈতিক পৰিস্থিতিৰ অৱনতিৰ মূল কাৰক ৰূপে দেখা দিছে । বছৰৰ পিছত বছৰ ধৰি অসম শক্তিশালী ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহৰ উন্মত্ততাৰ ফলত ধ্বংস কাৰ্য্যৰ বলি হৈ আহিছে । আন্তৰাষ্ট্ৰীয় নদী ব্ৰহ্মপুত্ৰক শান্ত কৰাটো ৰাজ্যৰ ধনবল আৰু এক্তিয়াৰৰ বাহিৰত । ভাৰত চৰকাৰৰ ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ আঁচনি খনৰ বিত্তীয় যোগান ব্যৱস্থাটো কেন্দ্ৰীয় ঋণ সাহায্যৰ (C.L.A) অধীনত শতকৰা এশ ভাগেই ঋণৰ ওপৰত নিৰ্ভৰশীল ।

ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আঁচনিখন পৰিস্থিতিৰ আৱশ্যকতাৰ ওপৰত নিৰ্ভৰ কৰি অসমক দিয়া ৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতি পালনৰ বাবে কেন্দ্ৰীয় সাহায্যৰে আঁচনিখন ৰূপায়ণ কৰাটো আৱশ্যকীয় হৈ পৰিছে । ভাৰত চৰকাৰে সংশ্লিষ্ঠ ৰাজ্য চৰকাৰ সমূহলৈ এনে বৃহৎ সমস্যাৰ মোকাবিলা কৰিবলৈ বিশেষ কেন্দ্ৰীয় সাহায্য আগবঢ়াইছে । ব্ৰহ্মপুত্ৰৰ বান পানী সমস্যা এক ৰাষ্ট্ৰীয় সমস্যা সেয়ে ইয়াৰ ক্ষেত্ৰত থকা বিত্তীয় পদ্ধতি সলনি কৰাটো আৱশ্যক হৈ পৰিছে অৰ্থাৎ এশ শতাংশ কেন্দ্ৰীয় ঋণ সাহায্যৰ পৰিবৰ্ত্তে ৯০ শতাংশ মঞ্জুৰী আৰু ১০ শতাংশ ঋণ মঞ্জুৰী প্ৰদান । তাৰোপৰি ১-৩-৯৪ তাৰিখে পৰিশোধ কৰিব লগা

ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ বাবে মঞ্জুৰ কৰা কেন্দ্ৰীয় ঋণ সাহায্য পদ্ধতিও সলনি কৰিব লাগে যাতে ৰাজ্য চৰকাৰে এই ঋণৰ বোজাৰ পৰা কিছু সকাহ পায়।

২৮.১৩ ১৯৯৫ চনৰ ছেপ্তেম্বৰ মাহত ভাৰত চৰকাৰে বিষয়টোৰ গম্ভীৰতা অনুধাৱণ কৰে আৰু কিছু সাহায্য ৰাজ্য খনৰ বাবে প্ৰদান কৰে। ১৯৯৫-৯৬ আৰু ১৯৯৬-৯৭ চনত ভাৰত চৰকাৰক পৰিশোধ কৰিব লগা ঋণৰ ক্ষেত্ৰত মৰেটৰিয়াম মঞ্জুৰ কৰি আৰু ১৯৯৬-৯৭ চনৰ বছৰটোত ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰন আঁচনিৰ ক্ষেত্ৰত ২৫ কোটি টকাৰ অনুমোদনৰ দ্বাৰা এই সকাহ ৰাজ্য চৰকাৰক দিয়ে। এই পদক্ষেপ সমুহ গ্ৰহণ কৰা হ'ল যদিও মুল বিত্তীয় সমস্যাবোৰ কোনো পধ্যে সামৰি লোৱা নগল। যেনে ঃ- কেন্দ্ৰীয় ঋণ সাহায্যৰ ১৯৯৬-৯৭ চনলৈকে পৰিশোধ কৰিব লগা বকেয়াৰ অংশ ১৯৯৭-৯৮ চনলৈকে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ বাবে দিয়া কেন্দ্ৰীয় ঋণ সাহায্যকে ধৰি আদায় দিব লগা ঋণৰ অংশ ইত্যাদি। ৰাজ্য খনে সন্মুখীন হোৱা পৰিস্থিতিৰ ভয়াবহতা সৰ্ম্পকে কেন্দ্ৰীয় চৰকাৰে স্বীকৃতি প্ৰদান কৰিছে। সেয়ে ভাৰত চৰকাৰক বৰ্ত্তমান প্ৰচলিত কেন্দ্ৰীয় ঋণ সাহায্যৰ যিটো ধাৰা সেইটো সলনি কৰি বিশেষ কেন্দ্ৰীয় সাহায্য অৰ্থাৎ ৯০ শতাংশ মঞ্জুৰী আৰু ১০ শতাংশ ঋণ পদ্ধতি প্ৰচলন কৰিবলৈ অনুৰোধ কৰা হৈছে।

২৮.১৪ ৰাজ্য খনৰ এই প্ৰধান সমস্যা বোৰৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰি আহিছে।

২৯ মাননীয় অধ্যক্ষ মহোদয়, মই এই বাজেটত কোনো ধৰণৰ নতুন কৰ বা কৰ পৰিবৰ্ত্তনৰ প্ৰস্তাৱ নকৰোঁ। ৰাজকৰ আইনৰ উপযুক্ত বলবৎ কৰণ আৰু কৰ বিভাগৰ প্ৰশাসন অধিকতৰ টনকীয়াল কৰি অধিক ৰাজহ আদায় কৰা আমাৰ চৰকাৰৰ প্ৰচেষ্টা চলি থাকিব,

হিচাপ ১৯৯৪-৯৫

৩০ যোৱা ১৯৯৫ চনৰ মাৰ্চ মাহত উত্থাপন কৰা ১৯৯৫-৯৬ চনৰ বাজেট প্ৰাক্কলনত ১৯৯৪-৯৫ চনৰ সংশোধিত হিচাপত ১৬৩.০৬ কোটি টকা ঘাটি দেখুৱা হৈছিল। কিন্তু মহা গাননিকে দিয়া হিচাপ মতে প্ৰকৃত ঘাটি হৈছে ৩৫৮.৩৮ কোটি টকা। ১৯৯৪-৯৫ চনত সংশোধিত হিচাপত ৪৭৬৭.৪১ কোটি টকাৰ প্ৰাপ্তিৰ বিপৰীতে প্ৰকৃত প্ৰাপ্তি ৫০৭১.৫৭ কোটি টকা দেখুৱা হৈছে অৰ্থাৎ ৩০৪.১৬ কোটি টকা বৃদ্ধি হৈছে। ১৯৯৪-৯৫ চনত ৰাজহ শিতানত সংশোধিত হিচাপত ৰাজহ শিতানত দেখুৱা ৩২৪১.৮৮ কোটি টকা প্ৰাপ্তিৰ বিপৰীতে প্ৰকৃত প্ৰাপ্তি ২৮.৮২ কোটি টকা কম দেখুৱা হৈছে। ১৯৯৪-৯৫ চনত মূলধন শিতানত সংশোধিত হিচাপত দেখুৱা ১৪৮১.১৯ কোটি টকা ব্যয়ৰ বিপৰীতে প্ৰকৃত ব্যয় ২১৪৫.৭১ কোটি টকা দেখুৱা হৈছে অৰ্থাৎ প্ৰকৃত ব্যয়ৰ পৰিমাণ ৬৬৪.৫২ কোটি টকা অধিক। ফলত ১৯৯৪-৯৫ চনৰ সংশোধিত

হিচাপত ৪৭২৩.০৭ কোটি টকাৰ বিপৰীতে প্ৰকৃত মুঠ ব্যয় ৫৪১৬.৪১ কোটি টকা হৈছিল অৰ্থাৎ ৬৯৩.৩৪ কোটি টকা (ৰাজহ শিতানত ২৮.৮২ কোটি আৰু মূলধন শিতানত ৬৬৪.৫২ কোটি টকা) অধিক। একত্ৰিত আৰু ৰাজহুৱা পুঁজি শিতানত ব্যয়ৰ পৰিমাণ প্ৰাপ্তিৰ পৰিমাণতকৈ অধিক হোৱাৰ ফলত ১৯৯৪-৯৫ চনৰ শেষত লেন দেনৰ স্থিতিত ৩৫৮.৩৮ কোটি টকা ঘাটি দৰ্শায়।

**সংশোধিত প্ৰাক্‌কলন ১৯৯৫-৯৬**

৩১ ১৯৯৫-৯৬ চনৰ আৰম্ভনিৰ হিচাপত ১৬৩.০৬ কোটি টকাৰ ঘাটি লৈ বজেট প্ৰাক্‌কলনে ১৯৯৫-৯৬ চনৰ অন্তত ২৮৫.৫২ কোটি টকা ঘাটি দেখুৱা হৈছে। সংশোধিত হিচাপত ৩৫৮.৩৮ কোটি টকাৰ আৰম্ভনি ঘাটি লৈ বছৰ টোৰ অন্তত ৩০৮.৭৪ কোটি টকাৰ ঘাটি দেখুৱাই আৰু বছৰটোৰ ভিতৰত লেন দেনৰ স্থিতি ৪৯.৬৪ কোটি টকা দৰ্শাইছে।

**বাজেট প্ৰাক্‌কলন ১৯৯৬-৯৭**

৩২.১ ১৯৯৬-৯৭ চনৰ বাজেট প্ৰাক্‌কলনত ৰাজহ শিতানত ১৯৯৫-৯৬ চনৰ সংশোধিত হিচাপত ৪১৭৪.১১ কোটি টকাৰ প্ৰাপ্তিৰ বিপৰীতে ১৯৯৬-৯৭ চনত ৪৪৮৬.৯৮ কোটি টকা দেখুৱা হৈছে ফলত ৩১২.৮৭ কোটি টকা বৃদ্ধি পাইছে। দশম বিত্তীয় আয়োগৰ চুপাৰিশ মতে ১৯৯৬-৯৭ চনৰ ৰাজহ ঘাটিৰ বাবে মুৰচিঁয়া অনুদান ২৪৯.৯৪ কোটি টকা। দশম বিত্তীয় আয়োগৰ প্ৰথম বছৰ অৰ্থাৎ ১৯৯৫-৯৬ চনৰ বাবে উক্ত অনুদান আছিল ৩৪২.০০ কোটি টকা। ১৯৯০-৯৫ কালছোৱাত সন্ত্ৰাসবাদ, ধংসাত্মক তথা হিংসাত্মক কাৰ্য্যকলাপত উদ্ভৱ হোৱা পৰিস্থিতিৰ মকাবিলা কৰি দেশৰ অখণ্ডতা বজায় ৰখাৰ বাবে ৰাজ্য চৰকাৰে ৩২৬ কোটি টকা অধিক ব্যয় কৰিব লগা হৈছিল। উক্ত ৩২৬ কেটি টকা আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান হিচাপে দাবী জনাইছে। এই ৩২৬ কোটি টকা আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাম বুলি ১৯৯৬-৯৭ চনৰ বাজেট প্ৰাক্‌কলনত সংযোজিত কৰা হৈছে। আগন্তুক সাধাৰণ নিৰ্বচনৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ পৰামৰ্শ মতে পৰিকল্পনাৰ শিতানত ১৯৯৬-৯৭ চনৰ বাবে আবন্টন পাবলগীয়া ধনৰ পৰিমাণ সাময়িক ভাবে ১৯৯৫-৯৬ চনৰ সমান পৰিমাণত ৰখা হৈছে।

৩২.২ ৰাজহ শিতানত ১৯৯৫-৯৬ চনৰ সংশোধিত হিচাপত দেখুওৱা ৩৯৮১.৫৬ কোটি টকাৰ বিপৰীতে ১৯৯৬-৯৭ চনৰ বাজেটত ৪২২৬.৭১ কোটি টকা ধৰা হৈছে অৰ্থাৎ ২৪৫ ৫৬ কোটি টকা বৃদ্ধি। ১-১-৯৬ ৰ পৰা ৰাজ্যিক কৰ্মচাৰী সকলৰ দৰমহা সংশোধনৰ পৰিপ্ৰেক্ষিতত প্ৰয়োজনীয় ধনৰ সময়ত ব্যৱস্থা কৰিব লাগিব।

৩২.৩ বাজেট প্ৰাককলনত ৩০৮.৭৪ কোটি টকাৰ আৰম্ভনি ঘাটি ধৰি ১৯৯৬-৯৭ চনৰ অন্তত ২৭৫.২৮ কোটি টকা ঘাটি হব বুলি দেখুওৱা হৈছে।

৩২ .৪ ১৯৯৬-৯৭ চনৰ বাজেট প্ৰাক্কলনত দেখুওৱা সামৰণি ঘাটি পৰিকল্পনা বহিঃভূত ব্যয় হ্ৰাস, অপ্ৰয়োজনীয় ব্যয়ৰ বন্ধ, অধিক মিতব্যয়িতা, অধিক পৰিমাণৰ ৰাজহ আদায় ইত্যাদি প্ৰচেষ্টাৰ দ্বাৰা মাৰিব পৰা যাব বুলি আশা কৰিছো ।

৩৩ যোৱা পাঁচ বছৰত আমি সমাজ খনক পুনৰ্নিৰ্মাণৰ বাবে শান্তি আৰু প্ৰগতিৰ পথহে অৱলম্বন কৰি আহিছো । শান্তি বিহীনে প্ৰগতি সম্ভৱ নহয় । স্থায়ী প্ৰগতি বিহীনে স্থায়ী শান্তি অসম্ভৱ । ইয়াৰ প্ৰতি দৃষ্টি ৰাখি আমাৰ সীমিত সম্পদলৈ শান্তি আৰু প্ৰগতিৰ লক্ষ্যত উপনীত হোৱাৰ বাবে আমি কায়মনোবাক্যে আগবাঢ়ি আছো । তদুপৰি সকলো ৰাইজৰ শুভেচ্ছা আৰু সহযোগ হল আমাৰ বহুমূলীয়া পাথেয় । আমাৰ চৰকাৰ দৃঢ় পদক্ষেপেৰে সেই শান্তি আৰু প্ৰগতিৰ লক্ষ্যত বহুলাংশে উপনীত হবলৈ সক্ষম হৈছে । এই লক্ষ্যত সম্পূৰ্ণৰূপে উপনীত হোৱাৰ কোনো সংক্ষিপ্ত পথ নাই । শান্তি আৰু প্ৰগতিৰ পথ দীঘল আৰু সংকটপূৰ্ণ । কিন্তু পাঁচ বছৰ তাৰ বাবে অতি কম সময় । তৎসত্বেও, আমাৰ বিশ্বাস, আমাৰ চৰকাৰে কৃতকাৰ্যতাৰে ৰাইজক শান্তি আৰু প্ৰগতিশীল সমাজ জীৱন শুভাৰম্ভনীৰে আগবঢ়াবলৈ সক্ষম হৈছে । আহিবলগীয়া দিন বোৰত এই দিশত ক্ৰমান্বয়ে প্ৰচেষ্টা আমাৰ চৰকাৰে স্থাপন কৰা শান্তি আৰু প্ৰগতিৰ ভেটি প্ৰস্তৰ মজবুত আৰু চীৰস্থায়ী কৰি তুলিব যাতে ভৱিষৎতে ই এটা দ্ৰুতগামী উন্নতি আৰু প্ৰগতিৰ পথ বুলি অভিলেখ স্থাপন কৰিব পাৰে ।

৩৪ মাননীয় সদস্য সকল, আমাৰ চৰকাৰৰ শান্তি আৰু প্ৰগতিৰ প্ৰচেষ্টাৰ প্ৰতি আপোনালোকৰ সহায় আৰু সহযোগ আগবঢ়োৱাৰ বাবে হিয়াভৰা ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো । ভৱিষ্যতেও আপোনালোকৰ সহায় আৰু সহযোগ পাম বুলি আশা কৰি, মাননীয় অধক্ষ্য মহোদয়, মই এই পবিত্ৰ সদনত ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰটোৰ বাবে অসম চৰকাৰৰ বিত্তীয় প্ৰাক্কলন আৰু বছৰটোৰ প্ৰথম চাৰি মাহৰ বাবে ব্যয়ৰ লেখানুদান উত্থাপন কৰিলোঁ ।

# পৰিশিষ্ট

## লেনদেনৰ সংক্ষিপ্ত বিবৰণ

*(লাখ টকাৰ হিচাপত)*

| | প্ৰকৃত ১৯৯৪-৯৫ | বাজেট প্ৰাক্কলন ১৯৯৫-৯৬ | সংশোধিত প্ৰাক্কলন ১৯৯৫-৯৬ | বাজেট প্ৰাক্কলন ১৯৯৬-৯৭ |
|---|---|---|---|---|
| **(ক) প্ৰাপ্তি** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ২৯,৬১,৪১ | ৩৭,৪৪,১৪ | ৪১,৭৪,১১ | ৪৪,৮৬,৯৮ |
| মূলধন হিচাপ | ২১,১০,১৬ | ১২,৮১,৯২ | ১২,৯৩,৫৩ | ১২,৩১,৯০ |
| **মুঠ-** | ৫০,৭১,৫৭ | ৫০,২৬,০৬ | ৫৪,৬৭,৬৪ | ৫৭,১৮,৮৮ |
| ২। আকস্মিক নিধি হিচাপ | – | – | – | – |
| ৩। ৰাজহুৱা হিচাপ | ১৮,৬৭,১৬ | ১৯,৩৬,০০ | ১৯,৩৬,০০ | ১৮,২১,০৩ |
| **সৰ্ব্বমুঠ-** (১+২+৩) | ৬৯,৩৮,৭৩ | ৬৯,৬২,০৬ | ৭৪,০৩,৬৪ | ৭৫,৩৯,৯১ |
| **(খ) ব্যয়** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ৩২,৭০,৭০ | ৩৭,১৭,১৬ | ৩৯,৮১,৫৬ | ৪২,২৬,৭১ |
| মূলধন হিচাপ | ২১,৪৫,৭১ | ১৪,৮২,৭৬ | ১৪,৮৭,৮৪ | ১৫,১২,৬৮ |
| **মুঠ-** | ৫৪,১৬,৪১ | ৫১,৯৯,৯২ | ৫৪,৬৯,৪০ | ৫৭,৩৯,৩৯ |
| ২। আকস্মিক নিধি হিচাপ | – | – | – | – |
| ৩। ৰাজহুৱা হিচাপ | ১৬,২২,৪১ | ১৮,৮৪,৬০ | ১৮,৮৪,৬০ | ১৭,৬৭,০৬ |
| **সৰ্ব্বমুঠ-** (১+২+৩) | ৭০,৩৮,৮২ | ৭০,৮৪,৫২ | ৭৩,৫৪,০০ | ৭৫,০৬,৪৫ |
| **(গ) বছৰটোৰ ভিতৰত লেন-দেন** | | | | |
| ৰাহি (+) | – | – | (+) ৪৯,৬৪ | (+) ৩৩,৪৬ |
| ঘাটি (–) | (–) ১,০০,০৯ | (–) ১,২২,৪৬ | – | – |
| **(ঘ) আৰম্ভনিৰ হিচাপ** | | | | |
| ৰাহি (+) | – | – | – | – |
| ঘাটি (–) | (–) ২,৫৮,২৯ | (–) ১,৬৩,০৬ | (–) ৩,৫৮,৩৮ | (–) ৩,০৮,৭৪ |
| **(ঙ) সামৰণিৰ হিচাপ** | | | | |
| ৰাহি (+) | – | – | – | – |
| ঘাটি (–) | (–) ৩,৫৮,৩৮ | (–) ২,৮৫,৫২ | (–) ৩,০৮,৭৪ | (–) ২,৭৫,২৮ |